# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৰৰণী
## তাৰিখ ঃ ২৪/০৯/২০১৮ সোমবাৰ

**আজি ইংৰাজী ২৪-০৯-২০১৮ তাৰিখে ৰাতিপুৱা ০৯.৩০ বজাত মাননীয় অধ্যক্ষৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা অসম বিধান সভাৰ শৰৎকালীন অধিবেশনৰ কাৰ্য্যবিৰৰণী ঃ**

**মাননীয় অধ্যক্ষ ঃ** সকলোকে শুভেচ্ছা জনাই শৰৎকালীন অসম বিধান সভাৰ অধিবেশনৰ কাম আৰম্ভ কৰিব বিচাৰছো। এতিয়া প্ৰশ্ন কালীন ঘণ্টা। প্ৰথম প্ৰশ্নকৰ্তা আমিনুল ইছলাম।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এই প্ৰশ্নটোত যিখিনি তথ্য বিচৰা হৈছে, চৰকাৰে তথ্যখিনি দিয়াত অকনমান কৃপণালী কৰা যেন লাগিছে। প্ৰথমতে ২০১৭ চনৰ ডিচেম্বৰলৈকে কিমান লোকৰ নাম বিদেশী ন্যায়াধিকৰণলৈ প্ৰেৰণ কৰা হৈছিল আৰু ইয়াৰ বৰ্ষ ভিত্তিক তথ্যটো বিচৰা হৈছে। ইয়াত চৰকাৰে জনাইছে যে ২০১৭ চনৰ ডিচেম্বৰলৈকে মুঠ চাৰি লাখ ৫৫ হাজাৰ ৯৭৬ জন লোকৰ নাম বিদেশী ন্যায়ধিকৰণত গোচৰ ৰুজু কৰা হৈছিল য'ত দ্বি-ভোটাৰ অন্তৰ্ভুক্ত আছিল। কিন্তু কোন বছৰত কিমান প্ৰেৰণ কৰা হ'ল এই তথ্যটো ইমানদিনে চৰকাৰৰ হাতত কিয় নাই এই কথাটোত আমি আচৰিত হ'লো। মোৰ দ্বিতীয় প্ৰশ্নটো আছিল ২০১৮ চনত জানুৱাৰীৰ পৰা ১৫ চেপ্তেম্বৰৰ লৈকে মুঠ কিমানটা গোচৰ বিদেশী ন্যায়ধিকৰণত ৰুজু কৰা হ'ল। ইয়াত মাত্ৰ মাৰ্চ-এপ্ৰিললৈকে দিয়া হৈছে। জানুৱাৰী, ফেব্ৰুৱাৰী, মাৰ্চ, এপ্ৰিল এই চাৰিমাহৰ লৈকে ১৭৯ জনৰ নাম বিদেশী ন্যায়ধিকৰণত প্ৰেৰণত কৰা হৈছিল। বাকী মে, জুন, জুলাই, আগষ্ট এই চাৰিটা মাহৰ তথ্য দিয়া নাই। তথ্যখিনি বিচাৰি থকা হৈছে বুলি ইয়াত দিছে। চৰকাৰে এই তথ্যখিনি ইমান দিনৰ ভিতৰত সংগ্ৰহ কৰিব নোৱাৰা কথাটোত আচৰিত হৈছো। গতিকে এই ক্ষেত্ৰত মই ভাৱো যে ইয়াত হয়তো তথ্যটো দিব বিচৰা নাই। কাৰণ মে, জুন, জুলাই এই তিনিমাহতে সৰ্ব্বাধিক লোকৰ নাম বিদেশী ন্যায়াধিকৰণত প্ৰেৰণ কৰা হৈছিল। যাতে সেই লোক আৰু তেওঁলোকৰ পৰিয়াল, ল'ৰা-ছোৱালী আৰু নিকটাত্মীয়ৰ নাম এন আৰ চি ৰ খচৰাৰ পৰা বাদ দিয়াৰ কাৰণে মে, জুন, জুলাই এই তিনিমাহত সৰ্ব্বাধিক লোকৰ নাম বিদেশী ন্যায়ধিকৰণত প্ৰেৰণ কৰা হৈছিল সেইকাৰণে এই তিনিমাহৰ তথ্যটো ইয়াত দিয়া হোৱা নাই। গতিকে চৰকাৰে এই তথ্যটো কিয় সংগ্ৰহ কৰিব নোৱাৰিলে ইয়াৰ এটা স্পষ্টিকৰণ বিচাৰিছো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে, যে চৰকাৰে তথ্যটো দিব পৰা নাই বা এইবিলাক তথ্য চৰকাৰৰ হাতত নাই নেকি! চৰকাৰৰ হাতত আছে। অধ্যক্ষ মহোদয়, গোটেই বিষয়টো এনেকুৱা যে যেতিয়া কিছুমান কেচ ফৰেইনাৰচ্ ট্ৰিবিউনেল এচটাবলিচ্‌মেণ্টলৈ যায় এটা কনষ্ট্ৰেণ্ট নাম্বাৰত সেই নাম্বাৰটো নাথাকে। ধৰা হ'ল ২৫ জন মানুহৰ নাম ফৰেইনাৰচ্ ট্ৰিবিউনেলত আছে। গতিকে পিছৰ মাহত দেখিব হয়তো এইটো ২৬ জন হৈছে। নহ'লে ২৮ জন হৈছে। হয়তো কেতিয়াবা বোৰ্ডাৰ পুলিছে নতুনকৈ নাম দিলে বা যদি বোৰ্ডাৰ পুলিছে নাম দিয়া নাই ফৰেইনাৰচ ট্ৰিবিউনেলে হয়তো ইণ্ডিয়ান চিটিজেন বুলি নাম ঘোষণা কৰিছে। গতিকে এই নাম্বাৰটো fluctuate। সেইকাৰণে আমি মুঠ নাম্বাৰটো সদনক জনাইছো। আমি জিলা ভিত্তিক লিষ্ট এখনো ইয়াত দাখিল কৰিছো আৰু তেখেতে

কোৱাৰ দৰে year wise তথ্যটো আমি ইয়াত দিছো। মাননীয় সদস্য গৰাকীয়ে কৈছে যে, আমি এপ্রিললৈকে তথ্যটো দিলো আৰু বাকী তথ্যখিনি আমি নিদিলো। গতিকে এন আৰ চিত তেওঁলোকৰ নামটো ডিলিট কৰিবৰ কাৰণে conspiracy হৈছে বুলি তেখেতে প্রশ্নটো কৰিছে। কিন্তু অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে ৩১ মার্চত annual year ending হয়। গতিকে এই annual year ending ৰ ভিত্তিত এই ডাটা খিনি দিয়া হৈছে। গতিকে অধ্যক্ষ মহোদয়, মই তেখেতক আৰু সন্মানীয় সদনক এটা কথা স্পষ্ট কৰিব বিচাৰিছো তেখেতে যিটো কৈছে যে এন আৰ চি ত তেওঁলোকৰ siblings বা descendant ৰ নাম বিলাক এন আৰ চিৰ পৰা আতৰাই দিবৰ কাৰণে আমি তিনি মাহৰ ডাটা নিদিয়া কথাটো সম্পূর্ণ অসত্য কথা। মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ নেতৃত্বত যিখিনি মানুহৰ নাম ফৰেইনাৰচ্ ট্রিবিউনেলত আছে, সেইখিনি কথা স্পষ্ট কৰি কোৱা হৈছে। যাতে সকলো ভাৰতীয় নাগৰিকৰ নাম এ- আৰ চিত থাকে আৰু কোনো বিদেশীৰ নাম যাতে এন আৰ চিত নাথাকে। তাৰ কাৰণে চুপ্রিম কোর্টে যেতিয়া পাঁচটা ডকুমেণ্ট বাদ দিছে তাৰ বাবে অসম চৰকাৰৰ পৰা আমি এফিডেফিড দিছো যে এই পাঁচটা থাকিব লাগে। আমি দুখন এফিডেফিদ অসম চৰকাৰৰ ফালৰ পৰা দিছো আৰু মাননীয় সদস্য শ্রী কমলাক্ষ দে পুৰকায়স্থৰ এটা লিখিত প্রশ্নৰ উত্তৰত আমি দুখনকৈ এফিডেফিডৰ কপি আৰু চৰকাৰে যি সিদ্ধান্ত লৈছে সেই সম্পর্কত এইখিনি দাঙি ধৰা হৈছে। সকলো মাননীয় সদস্যই দুখনকৈ ইয়াৰ কপি পাইছে। গতিকে এইটো স্পষ্ট যে কোনো ভাৰতীয়ৰ নাগৰিকৰ নাম ইয়াত বাদ পৰিব নোৱাৰে। এইটো মুখ্যমন্ত্রী ডাঙৰীয়াই আমাৰ চৰকাৰৰ হৈ এটা কঠোৰ সিদ্ধান্ত লৈছে। গতিকে মই মুখ্যমন্ত্রী মহোদয়কো ধন্যবাদ জনাইছো যে এই সিদ্ধান্তটো তেখেতে লৈ এই চৰকাৰখন যে অসমৰ ৰাইজৰ হকে আছে, ভাৰতীয় নাগৰিকৰ সপক্ষে আছে আমি দিয়া তথ্যই সেইটোকে প্রমাণ কৰে। দ্বিতীয় কথাটো হৈছে অধ্যক্ষ মহোদয়, আমাৰ কেবিনেটত এটা সিদ্ধান্ত হৈছিল যে, এচ ও পি ৰ ক্ষেত্রত আমি কিছুমান নতুন কথা কৈছে যে, claims and objection ৰ যিখন ফর্ম হ'ব সেইখন চিম্পল হ'ব লাগে। তাৰ উপৰি পেঞ্চন ডকুমেণ্ট যিখিনি সেইখিনি ডকুমেণ্ট হিচাবে claims and objection একচেপ্ত কৰিব লাগে। তাদুপৰি ফাইন হিচাবে ২৫০০ টকা যে জমা দিব লাগে সেই ফিজটো আমি ডিলিট কৰি দিছো। মাননীয় সদস্য গৰাকীক এইখিনি কথা মই স্পষ্ট কৈ জনাব খুজিছো যে, এইখিনি কথা ভাৰত চৰকাৰক জনোৱাৰ পিছত তেওঁলোকে যিখন এচ ও পি চুপ্রিম কোর্টত চাবমিট কৰিব গতিকে আমি আমাৰ অসম চৰকাৰে কেবিনেটত লোৱা এই চাৰিটা সিদ্ধান্ত যি পাচঁটা পইণ্ট ভাৰত চৰকাৰে এইখিনি কথা মানি লৈছে। তাতকৈ ডাঙৰ কথাটো হ'ল যে আপুনি যিটো কৈছে যে এই চৰকাৰে তিনি মাহৰ ডাটা দিয়া নাই এন আৰ চিৰ পৰা নাম বাদ দিয়াৰ কাৰণে দিয়া নাই নেকি এই ক্ষেত্রত আপোনাৰ জ্ঞাতার্থে মই জনাওঁ যে মুখ্যমন্ত্রী ডাঙৰীয়াৰ নির্দ্দেশক্রমে এই চিঠিখন সকলো এচ পি আৰু ডি চি লৈকে গৃহ বিভাগে দিছে। চিঠিখনৰ নাম্বাৰ হ'ল PLB 382/2017/86. এই চিঠিখনত কোৱা হৈছে যে, "With reference to the subject above, I am directed to inform you that as per instruction reeceived from the Ministry of Home Affairs no action or fresh enquiry and reference to the Foreigners Tribunal should be initiated, no fresh case/no fresh reference should be made initiated by the administration or we list based on NRC. ইয়াত স্পষ্ট কৈ কোৱা হৈছে গতিকে

সন্দেহটো ইয়াৰ পৰা আঁতৰি গ'ল।

There is no question of reffering the person whose names do not figure in the Draft NRC to the Foriegner's Tribunal as possible as entitled to the file claim a objection and due opportunity have to be given as available under law before the final publication of the NRC. গতিকে ইয়াত clearly কোৱা হৈছে যে final publication নোহোৱালৈকে Draft NRC ৰ ওপৰত ভিত্তি কৰি কোনো মানুহৰ নাম এতিয়া reffered কৰিব নোৱাৰিব। এই কথাখিনিৰ নিৰ্দ্দেশ মুখ্য মন্ত্ৰী ডাঙৰীয়াই তেখেতৰ Home Department ক দিছে আৰু Home Department এ এই কথাখিনিৰ নিৰ্দ্দেশ District Administration of Police, SP সকলক দিছে। তাৰ উপৰিও Attention also drawn to the Hon'ble Supreme Court dated 31/7/2018 laid petion Civil 2074/2009 in regards to the Court would like to observe that what has been published is only the complete Draft NRC. Which is naturally being a Draft can not be the basis of any action by the authority. So, this is for your kind information and necessary action. This is a letter given from the Home Department to all the S.P. and D.C. গতিকে মাননীয় সদস্য গৰাকীয়ে ইয়াত যিটো কথা কৈছে, সেই কথাখিনিৰ কোনো সন্দেহ কৰিবলগীয়া নাই। Government is very clear. মুখ্যমন্ত্ৰী ডাঙৰীয়াই স্পষ্টভাৱে কৈছে যে কোনো এজন ভাৰতীয় নাগৰিকৰ নাম NRC ৰ পৰা বাদ পৰিব নোৱাৰে আৰু কোনো বিদেশীৰ নাম সোমাব নোৱাৰে। এইটো একেবাৰে স্পষ্ট আৰু এই কথাখিনিৰ দ্বাৰা মই ভাৱো মাননীয় সদস্য গৰাকী Convince হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিখিনি কথা কৈছে, Hon'ble Supreme Court য়ে 31 জুলাই তাৰিখে. যিটো ৰায় দিছে সেই ৰায়টো আমি পাইছো আৰু আমিও বিচাৰো যাতে NRC খন এখন বিদেশীমুক্ত শুদ্ধ NRC হওঁক। য'ত এজনো ভাৰতীয় নাগৰিকৰ নাম বাদ নপৰে। কিন্তু মোৰ ২ নং প্ৰশ্নটো আছিল যে NRC য়ে যিটো লাইনত কাম কৰি আছে, Foriegner's Tribunal, সেই ধৰণে কাম কৰে। Foriegner's Tribunal 1971 ৰ আগৰ লিগেচীটো চাই তাৰ লগত Linkage টো চাই মানুহজন ভাৰতীয় হয়নে নহয়, সেইটো বিৱেচনা কৰে। ঠিক একেদৰে NRC কৰ্তৃপক্ষই ঠিক একেধৰণে কৰে, 1971 ৰ আগৰ লিগেচীৰ লগত Linkage মিলাই তেওঁলোকে Eligible হয় বুলি গ্ৰহণ কৰে। গতিকে যিহেতু NRC কৰ্তৃপক্ষই ইতিমধ্যে সকলো নাগৰিকৰ নাগৰিকত্ব প্ৰমাণ কৰি আছে, Who is eligible আৰু Who is not eligible to be include? কিন্তু ঠিক একে সময়তে যদি Foriegner's Tribunal য়ে সেই মানুহখিনিক নোটিচ দিয়ে, তেতিয়া NRC য়ে সেই মানুহজনক eligible বুলি ধৰিলেও অন্তৰ্ভুক্ত কৰিব নোৱাৰে। যিহেতু তেওঁৰ নামত এবাৰ নোটিচ আহি গৈছে। গতিকে আজি যদি Foriegner's Tribunal য়ে পোঁচ লাখ নতুন মানুহক নোটিচ দিয়ে, সেই মানুহখিনিৰ যিমানেই Documents নাথাক ক NRC ত অন্তৰ্ভুক্ত কৰিব নোৱাৰে। কাৰণ Foriegner's Tribunal য়ে নোটিচ দিছে। গতিকে মোৰ দুই নং প্ৰশ্নটোত আছিল যে একেলগে Simultaneously দুটা প্ৰক্ৰিয়া কিয় চলিব? য'ত NRC

কৰ্তৃপক্ষই তেওঁলোকৰ নাগৰিকত্ব বিৱেচনা কৰি আছে। লিগেচী লিংকেজ চাই আছে, তেনে ক্ষেত্ৰত Foriegner’s Tribunal য়ে কিয় Parallely Notice দি আছে। এই দুটা প্ৰক্ৰিয়া Parallely চলা বাবে NRC প্ৰক্ৰিয়াটো বাধা গ্ৰস্ত হৈছে। হাই কোৰ্টে যিটো ৩১ জুলাই তাৰিখে ৰায় দিছে। তাত এইখিনি কথা কৈছে যে যি চল্লিশ লাখ মানুহ বাহিৰত আছে, তেওঁলোকৰ ওপৰত কোনো একশ্যন ল’ব নোৱাৰিব। তেওঁলোকৰ ওপৰত Foriegner’s Tribunal case refer কৰিব নোৱাৰিব। সেইটো ঠিক আছে। কিন্তু ইয়াত যিটো তথ্য দিছে যে ২০১৮ চনৰ এপ্ৰিল মাহলৈকে যিমান মানুহৰ নামত নোটিচ আহিছে, সেইটো After publication of the first Draft. First Draftওলাইছিল ৩১ডিচেম্বৰ ২০১৭। তাৰ পিছত ২০১৮ চনত এই নতুন মানুহৰ নামত নোটিচবোৰ দিয়া হ’ল আৰু এপ্ৰিলৰ পিছত মে’, জুন মাহত নোটিচ বেছিকৈ প্ৰায় লক্ষ্যাধিক মানুহক দিয়া হ’ল। সেই তথ্যটো আমাৰ ইয়াত উল্লেখ কৰা হোৱা নাই। গতিকে আমাৰ কথাটো হ’ল NRC চলি থকা সময়ত সেই নতুন মানুহক নোটিচ দি তেওঁলোকৰ পৰিয়ালসহ Deprive কৰা হ’ল। এইবোৰে NRC প্ৰক্ৰিয়াটোকে বাধাগ্ৰস্ত কৰিছে। এই প্ৰক্ৰিয়াটো সম্পূৰ্ণভাৱে বন্ধ হ’ব নে নাই সেইটোৱে আমি জানিব বিচাৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কথাখিনি ইতিমধ্যে স্পষ্ট কৰি দিছো যে NRC চলি থকা সময়ত on the basis of Draft NRC. কোনো ধৰণৰ Foriegner’s Tribunal notice বা Refferance Border Notice নিদিয়ে বা দিব নোৱাৰে। এইটো as per the direction of the Hon’ble supreme Court,Government ৰ ফালৰ পৰা নিৰ্দ্দেশ দিছে। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে এই নিৰ্দ্দেশ গৃহ বিভাগৰ পৰা আদি কৰি সকলোকে দিছে। গতিকে বস্তুটো মিক্স নকৰিব। মিক্স কৰিলে প্ৰশ্নটো বুজি পোৱাত অসুবিধা হ’ব। আপুনি কৈছে যে এপ্ৰিল মাহলৈকে প্ৰায় এক হাজাৰ মানুহলৈকে Foriegner’s Tribunal ৰ পৰা notice গৈছে। এইফালে NRC প্ৰক্ৰিয়াও চলি আছে। আপুনি এই দুটা বস্তু মিক্স কৰিছে। যদি NRC ৰ পৰা ডিপ্ৰাইভ কৰা কাৰণে এইটো নোটিচ গ’লহেঁতেন, তেনেহ’লে এই ফিগাৰটো এক হাজাৰ নহয়, দুই বা তিনি লাখ হ’লহেঁতেন। আগতে যেনেকৈ চাৰি লাখ মান হৈছিল। এতিয়া আপুনি মিক্স কৰিছে যে ১৯৬৬ চনৰ পৰা ১৯৭১লৈকে যিখিনি মানুহ ৰিফিউজি হিচাপে কেম্পত আছিল, তেওঁলোকক FRRO ত ৰেজিষ্ট্ৰেশ্যন কৰিব দিয়া হৈছিল। প্ৰাক্তন মুখ্য মন্ত্ৰী শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই এই কথাখিনি ভালদৰে জানিব। কাৰণ সেইসময়ত তেখেত মুখ্য মন্ত্ৰী আছিল। ১৯৯৭চনৰ সেই জিলাবোৰৰ FRRO আছিল। এতিয়া পাঁচখন জিলাত FRRO আছে। কিন্তু তেওঁলোকে কথাটো কৈছিল যে তেওঁলোকৰ যিসকল ৰিফিউজ কেম্পত আছে বা তেওঁলোকৰ যিবোৰ Inmates আছে, তেওঁলোকে ইয়াত Registration কৰিব লাগে। তাৰে ভিতৰত বেছিভাগ মানুহে Registration কৰিলে আৰু কিছুমান মানুহে Registration নকৰিলে। Registration নকৰাৰ ফলত সেই মানুহখিনি বিদেশী হিচাপে ডিক্লিয়াৰ হৈ থাকিল। সেইটো আজিৰ কথা নহয়, সেইটো আগৰ কথা। ২০১৩ চনত মাননীয় চুপ্ৰিম কোৰ্টে যিটো ৰায় দিছে, সেইটো দৰকাৰ হ’লে আপোনাক দি দিম। এতিয়া কথাটো হ’ল যিসকল মানুহে Registration কৰা নাছিল, তেওঁলোকৰ বিৰুদ্ধে বোৰ্ডাৰ পুলিচে নোটিচ দিছিল। সেইকাৰণে নাম্বৰটো এক হাজাৰ হৈছে, লাখত হোৱা নাই। আপুনি দুটা কথা মিক্স কৰিছে। সেইকাৰণে এই অৱস্থাটো হ’ল। আপুনি এই প্ৰশ্নটো উত্থাপন কৰিছে। গতিকে গোটেই কথাখিনিৰ ক্ষেত্ৰত আমি স্পষ্ট আৰু ক্লিয়াৰ। আমাৰ NRC প্ৰস্তুত হৈ থকা অৱস্থাত কোনো মানুহৰ ৰেফাৰেঞ্চ

বোৰ্ডাৰ পুলিচে নকৰে আৰু সেই ক্ষেত্ৰত চৰকাৰৰ স্থিতি স্পষ্ট আছে।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক (ধিং) ঃ** এইটো মই মিক্স কৰা নাই। চৰকাৰে আগতে মিক্স কৰিছে। ইয়াৰ লগত যিটো FRRO ৰ কথা কৈছে, সেইটোৰ কোনো সম্বন্ধ নাই।

**মাননীয় অধ্যক্ষ ঃ** আপুনি উত্তৰটোৰ লগত সন্তুষ্ট নহয়। ঠিক আছে। এতিয়া নুৰুল হুদা ডাঙৰীয়াই কওঁক।

**শ্ৰী নুৰুল হুদা, বিধায়ক (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নাগৰিকৰ অধিকাৰ জনসাধাৰণৰ এটা মূল্যৱান অধিকাৰ। এই অধিকাৰ নিৰ্ধাৰণৰ কাৰণে বিদেশী ন্যায়াধিকৰণত যিসকল সদস্য Contractual basis ত নিয়োগ কৰা হয়, তেওঁলোকৰ কোনো Service rule নাই আৰু Service rule নথকা বাবে তেওঁলোকে নিজৰ ইচ্ছা অনুসৰি যিকোনো কাম কৰিব আৰম্ভ কৰিছে। মই এটা উদাহৰণ দিছো, মোৰ সমষ্টি ৰূপহীহাটত, গাওঁ খনাটোপ, নাম জয়নাল উদ্দিন, পিতা আব্দুল ৰেজ্জ্যাক তেওঁৰ বিপক্ষে এটা অৰ্ডাৰ হ'ল, Foriegner's Tribunal ১১-১১-২০১৬ তাৰিখে তেওঁ বিদেশী নহয় বুলি। ইয়াৰ পিছত ২০১৭ চনত তেওঁৰ বিপক্ষে আকৌ কেচ হ'ল। আকৌ ২০১৮ চনত Tribunal Court য়ে সেই মানুহ জনৰ ওপৰতে নগাওঁ বিদেশী ন্যায়াধীকৰণ নং ৩ য়ে তৃতীয় বাৰৰ বাবে তেওঁক notice জাৰি কৰে। তেওঁৰ ওপৰত পুনৰ বাৰৰ বাবে কেচ চলি আছে। এনে ধৰণেই ভাৰতীয় নাগৰিক সকলক Tribunal Court ত হাৰাশাস্তি কৰি থকা হৈছে।

**মাননীয় অধ্যক্ষঃ** I can allow you a discussion, but this is Question Hour. মই বুজি পাইছো যে এজন ভাৰতীয় নাগৰিকক বাৰে বাৰে হাৰাশাস্তি কৰি থকা হৈছে। এতিয়া আপোনাৰ মূল প্ৰশ্নটো কি সেইটো সোধক।

**মাননীয় শ্ৰী নুৰুল হুদা, (ৰূপহীহাট)ঃ** হয়, অধ্যক্ষ মহোদয়। Service Rule নথকাৰ বাবে বিদেশী ন্যায়াধীকৰণৰ সদস্য সকলে নিজৰ ইচ্ছা অনুযায়ী ভাৰতীয় নাগৰিক সকলক বাৰে বাৰে হাৰাশাস্তি কৰি আছে আৰু এইখিনি মই আপোনাক তথ্য সহকাৰে দি দিম। অধ্যক্ষ মহোদয় আৰু এটা কথা যে, বিদেশী ন্যায়াধীকৰণত যি সকল সদস্য আছে তেওঁলোকে উকীল সকলকো নামানে। আজিকালি উকীল সকলে বিদেশী ন্যায়াধীকৰণত নোযোৱা হৈছে, কিয়নো তেওঁলোকক তাত বেয়া ব্যৱহাৰ কৰে। এতিয়া এনেকুৱা এটা অৱস্থাৰ সৃষ্টি হৈছে যে কাৰোবাৰ ওচৰত যদি বিদেশী ন্যায়াধীকৰণৰ notice যায়, তেন্তে তেওঁৰ কেচটো উকীল সকলে ল'ব নিবিচাৰে। কাৰণ তেওঁলোকে তাত অসন্মান পাবলগীয়া হয়। গতিকে, এই ক্ষেত্ৰত বিদেশী ন্যায়াধীকৰণৰ সদস্য সকলৰ দুৰ্ব্যৱহাৰৰ পৰা পৰিত্ৰাণ পাব লাগিব। ভাৰতীয় নাগৰিক সকলৰ সুৰক্ষাৰ স্বাৰ্থত বিদেশী ন্যায়াধীকৰণৰ সদস্য সকলক নাকি লগাব লাগিব যাতে তেওঁলোক বাৰে বাৰে হাৰাশাস্তিৰ সন্মুখীন হ'বলগীয়া নহয় আৰু তাৰ বাবে মই আজিৰ সদনত উপস্থিত থকা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** হয়, মই আপোনাৰ প্ৰশ্নৰ সাৰমৰ্ম ভালদৰে বুজি পাইছো। চৰকাৰেও কৈছে যে কোনো ভাৰতীয়ৰ নাম NRC ৰ পৰা বাদ নপৰে আৰু কোনো বিদেশীৰ নাম NRCত অন্তৰ্ভূক্ত নহয়। এই ক্ষেত্ৰত আপোনাৰ লগত চৰকাৰো একমত যে কোনো ভাৰতীয় নাগৰিকক হাৰাশাস্তি কৰাটো নচলিব আৰু সেই কাৰণে এনে ধৰণৰ sensitive কথাবোৰত আমি ভাৰতীয় নাগৰিক সকলৰ সুৰক্ষা বিচাৰো। এনে ধৰণৰ কথাবোৰ যে অকল সদনতে ক'ব লাগিব তেনে নহয়, We can have a discussion among the legislature parties.

মই পাটোৱাৰী ডাঙৰীয়াক কৈছো যে, এতিয়া আপুনি প্ৰশ্নটোৰ উত্তৰ দিয়ক।

. **শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, FT Court ৰ সদস্য সকলক আচলতে Hon'ble High Court য়ে select কৰি আমাক দিয়ে আৰু আমি তেওঁলোকক নিযুক্তি দিওঁ। মাননীয় সদস্য গৰাকীয়ে কৰা প্ৰশ্নটোৰ উত্তৰ দিছো যে, কোনো উকীল FT Court লৈ যাব নিবিচাৰে কাৰণ সদস্য সকলে বেয়াকৈ ব্যৱহাৰ কৰে। গতিকে আমাৰ কথাটো হ'ল যে, ব্যৱহাৰটো অকল এটা ফালৰ পৰাই নহয়, দুয়োটা ফালৰ পৰাই হয়। আপুনি যিখন জিলাক মাননীয় সদনত represent কৰিছে, সেইখন জিলাৰ FT Court ৰ সদস্যক উকীলে Court ত গৈ যেতিয়া ঘুচিয়ায়, সেইটোও বেয়া কথা।

**মাননীয় অধ্যক্ষঃ** নুৰুল হুদা ডাঙৰীয়াৰ জিলাত এই ঘটনাটো হোৱা নাই।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** হয়, এই ঘটনাটো গোৱালপাৰা জিলাৰ। গতিকে আমাৰ কথাটো হৈছে যে দুই পক্ষৰ পৰাই ব্যৱহাৰ আইনগত হ'ব লাগিব। উকীলে আইন interpret কৰিব আৰু as per the interpretation of law যদি এইটো justified, তেন্তে সেই অনুযায়ী FT Member য়ে নাগৰিক জন ভাৰতীয় নে বিদেশী তাৰ judgement দিব। কিন্তু তাৰ বিপৰীতে যদি উকীল এজনে বিদেশী ন্যায়াধীকৰণত গৈ কোনো এজন লোকক ভাৰতীয় বুলি ৰায় দিয়াৰ বাবে হেঁচা প্ৰয়োগ কৰে আৰু তেওঁৰ পক্ষে judgement নিদিলে ঘুচিয়াই মাৰ-পিট কৰে, এনে ধৰণৰ ব্যৱহাৰ উকীলে কৰিব নোৱাৰিব। এনে পৰিস্থিতি নহ'লে Judge য়েও উকীলক দুৰ্ব্যৱহাৰ কৰা কথাটো আহি নপৰিব।

এতিয়া আপোনাৰ দ্বিতীয় প্ৰশ্নটোৰ উত্তৰ দিওঁ, এজন মানুহক যেতিয়া Court য়ে ভাৰতীয় নাগৰিক বুলি কৈছে, তেন্তে তেওঁ ভাৰতীয়ই হ'ব আৰু তাত যদি কোনোবাই তেওঁৰ নামটো reference হিচাপে দিছে তেন্তে তেওঁ তাৰ ভিত্তিত তথ্য দিব লাগিব। On the basis of document, তেওঁৰ পক্ষে যিহেতু আগতেই ভাৰতীয় বুলি judgement দিয়া হৈছে, গতিকে তেওঁ ভাৰতীয় হ'বই।

**মাননীয় শ্ৰী আব্দুল খালেক, (জনিয়া)ঃ** আপোনালোকে এইটো নিশ্চিত কৰিব লাগিব যে এজন ভাৰতীয় নাগৰিকক বিদেশী ন্যায়াধীকৰণত বাৰে বাৰে হাৰাশাস্তি কৰি থকাটো অন্যায়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** এতিয়া কথাটো হ'ল যে, FTয়ে যদি কোনো এজন লোকৰ পক্ষে ভাৰতীয় বুলি ৰায়দান দিছে তেন্তে তেওঁ ভাৰতীয় হ'বই আৰু কোনোবাই যদি তেওঁৰ বিৰুদ্ধে ভাৰতীয় নহয় বুলি গোচৰ দিয়ে, গতিকে তেনে ক্ষেত্ৰত হয়তো তেওঁক কেতিয়াবা notice দিব পাৰে, কিন্তু এনে ধৰণৰ ঘটনা লাখৰ মাজত এজনৰ হোৱা পৰিলক্ষিত হৈছে।

**মাননীয় অধ্যক্ষঃ** I will look into it.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** আমাৰ কথাটো স্পষ্ট যে কোনো ভাৰতীয় নাগৰিকৰ হাৰাশাস্তি নহয় আৰু প্ৰতিজন ভাৰতীয় নাগৰিকৰ নাম NRCত থাকিব। এই ক্ষেত্ৰত চৰকাৰ স্পষ্ট আৰু ইয়াৰ বাবে Hon'ble Supreme Court ত affidavit দিয়া হৈছে।

**মাননীয় শ্ৰী নুৰুল হুদা, (ৰূপহীহাট)ঃ** যি সকলক ভাৰতীয় বুলি ৰায় দিয়াৰ পিছতো বাৰে বাৰে হাৰাশাস্তি কৰি থকা হৈছে, সেই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা ল'ব?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** আপুনি যিটো কেচৰ কথা কৈছে সেইটো এটা specific case, আপুনি কেচটো মোক দিব। মই কথাখিনি চাই ল'ম। চৰকাৰৰ পৰা এইটো assurance দিয়া হ'ল যে কোনো ভাৰতীয় নাগৰিকৰ নাম NRC ৰ পৰা

বাদ নপৰিব আৰু আপোনাক আমি assurance দিছো যে কোনো ভাৰতীয় নাগৰিকক FT য়ে হাৰাশাস্তি কৰিব নোৱাৰে।

**মাননীয় শ্ৰী নুৰুল হুদা, (ৰূপহীহাট)ঃ** অধ্যক্ষ মহোদয়, উত্তৰটো clear হোৱা নাই। আমাক ক'ব লাগে যে, আগন্তুক সময়ত যদি Tribunal য়ে সেই একেই ভুল কৰে তেন্তে তাৰ ওপৰত কি ব্যৱস্থা লোৱা হ'ব?

**মাননীয় অধ্যক্ষঃ** You bring the matter in point of order. I will allow you in point of order. You can raise the matter there.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, নুৰুল হুদা ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনি কথা চৰকাৰে seriously লৈছে আৰু এই complaint ৰ বিষয়ে আমি Hon'ble High Courtক জনাব লাগিব যাতে এই ক্ষেত্ৰত তেওঁলোকে বিচাৰ বিবেচনা কৰি চায়।

**মাননীয় অধ্যক্ষঃ** Last supplementary. Kamalakhya Dey Purkayastha.

**মাননীয় শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** অধ্যক্ষ মহোদয়, বৰ্তমান চৰকাৰে বেংগলী মানুহখিনিক  আশ্বাস আৰু সপোন দেখুৱাইছে। এতিয়া কথাটো হৈছে যে, NRC ৰ যি modality, সেইটো দল-মঠ, সংগঠন, প্ৰাক্তন মুখ্যমন্ত্ৰী সকলোৱে মিলি তৈয়াৰ কৰিছিল। ইয়াৰ পিছত State Co-ordinator ৰ ১০ টা ৰাখি থোৱাৰ কেনেকৈ সাহস হ'ল। দ্বিতীয়তে, হাজেলা ডাঙৰীয়াই নতুন নতুন ফৰ্মান জাৰি কৰাৰ  কাৰণে বহু খিনি মানুহে আত্মহত্যা কৰিব লগা হৈছে।

**মাননীয় অধ্যক্ষঃ** What is your question? Please put your question.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** NRC ৰ নতুন নতুন Policy ৰ কাৰণে বহুত মানুহে আত্মহত্যা কৰিব লগা হৈছে। তাৰ কাৰণে চৰকাৰে ব্যৱস্থা ল'ব লাগে। সুবোধ বিশ্বাসৰ ক্ষেত্ৰত চৰকাৰে যিদৰে ব্যৱস্থা ললে, প্ৰতীক হাজেলাৰ ক্ষেত্ৰতো তেনেদৰে ব্যৱস্থা ল'ব লাগে। চৰকাৰৰ যদি সদিচ্ছা থাকে আৰু বেংগলী প্ৰীতি থাকে তেতিয়াহলে চৰকাৰে নিশ্চয় ব্যৱস্থা ল'ব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে মই কমলাক্ষ দে পুৰকায়স্থক ধন্যবাদ দিছো যে, ১৯১৬ চনৰ দুবছৰৰ পাছত আপুনি অনুভৱ কৰিছে যে .................(হুলস্থুল) ....... প্ৰতীক হাজেলাক appointment দিছিলে কংগ্ৰেছ চৰকাৰে।

**শ্ৰী আব্দুল খালেক (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাজেলাই নিয়মমতে কাম কৰা নাই। তাৰ কাৰণে ব্যৱস্থা ল'ব লাগে। ......(হুলস্থুল)............lets move a resolution. ......(হুলস্থুল)............

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে কৈছে যিহেতু we will remove.

**শ্ৰী আব্দুল খালেক (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে তেতিয়াহলে হাজেলাক remove কৰিবলৈ resolution লওক। ......(হুলস্থুল)............

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাজেলাক appointment দিছিল আগৰ চৰকাৰে। Supreme Court এ এতিয়া হাজেলা ডাঙৰীয়াক RGI representative ৰ state coordinator হিচাপে অসমত appoint কৰিছে। Supreme Court ৰ full monitoring ত  NRC টো চলি আছে। এই কথাটো  affidavit  ৰ জৰিয়তে মই আপোনালোকক ক'লো। শেহতীয়াকৈ হাজেলাই আৰু এটা কাম কৰিছে। তেওঁ এটা seal cover

ত এই modality সম্পৰ্কত Supreme Court ত এটা report দাখিল কৰিছে। সেই কথাটো আনকি অসম চৰকাৰেও নাজানে। ......(হুলস্থুল)............

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে উত্তৰটো নুশুনাকৈ মাজত কথা নকব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাজেলাৰ কথাখিনি যেতিয়া আমি affidavit তত দিছো । তাত আমাৰ চৰকাৰৰ যিজন উকীল আছে, ভাৰত চৰকাৰৰ শ্ৰী বেণুগোপাল ডাঙৰীয়াৰ দৰে ভাল উকীল আছে আৰু কংগ্ৰেছ চৰকাৰৰ ফালৰ পৰাও শ্ৰী কপিল চিব্বলৰ দৰে ডাঙৰ উকীল তাত একেলগে appear হৈছিলে। appear হোৱাৰ পাছত আমি অসম আৰু ভাৰত চৰকাৰে কৈছো যে NRC ৰ matter বিলাক আমাক share কৰিব দিব লাগে। গতিকে সকলোৱে in opinion আমি combinedly কৈছো যে, NRC ৰ matter টো আমাক share কৰিবলৈ দিব লাগে কাৰণ Law and Order is a state subject. এই matter টো খুৱেই sensitive. এই matter টো যিহেতু state subject, law and order situation হলে চৰকাৰে এই ক্ষেত্ৰত ব্যৱস্থা ল'ব লাগিব। গতিকে আমাৰ চৰকাৰৰ ফালৰ পৰা আমি কৈছো যে এইটো আমাক share কৰিবলৈ দিব লাগে। দুদিনমান আগতে Supreme Court এ কলে যে, হাজেলাই আমাক এটা seal cover দিছে। এইটো আমাৰ custody ত আছে আৰু এইdocument ৰ বিষয়ে এতিয়া আমি কাকো নকওঁ। যেতিয়া ২৩ তাৰিখে ইয়াৰ শুনানি হ'ব তেতিয়া এই ৫ টা document, আৰু লগতে হাজেলাৰ চিঠি , তাৰ ওপৰত শুনানি হ'ব। তাৰোপৰি latest টো ৩১ তাৰিখৰ ৰায়দান মাননীয় Supreme Court য়ে কৰিছে। তাৰ affidavit ত দিছে যে, Shri Pratik Hazela , learned coordinator of NRC, is hereby directed not to share any information relating to NRC with Legisleture, Judiciary and executive. গতিকে অহা ২৩ তাৰিখৰ hearing ত আমাৰ চৰকাৰে ৰাইজৰ পক্ষত থাকি আমাৰ উকীলৰ লগতে আপোনালোকৰ উকীলো থাকি আমি fight কৰিব লাগিব। let us fight together যাতে আমি এখন শুদ্ধ NRCতৈয়াৰ কৰিব পাৰো য'ত কোনো বিদেশীৰ নাম নাথাকিব।

**মাননীয় অধ্যক্ষ ঃ** Question no. 2, Shri Debabrata Saikia. Minister Tourism please.

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**মাননীয় অধ্যক্ষ ঃ** শইকীয়া ডাঙৰীয়া, কিবা supplementry আছে নেকি?

**শ্ৰী দেৱব্ৰত শইকীয়া ,বিৰোধী দলপতি ঃ** অধ্যক্ষ মহোদয়, নাই।

**মাননীয় অধ্যক্ষ ঃ** Thank you.এতিয়া Question no. 3, Shri Prodip Hazarika. Minister, Implementation of Assam Accord please.

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তি ৰূপায়ণৰ ওপৰত মন্ত্ৰী ডাঙৰীয়াই দিয়া উত্তৰটো মই পাইছো। উত্তৰত চুক্তিৰ গোটেইখিনি clause দাঙি ধৰি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ সংশ্লিষ্ট বিভাগ সমূহৰ দ্বাৰা সময়ে সময়ে আৰু পৰ্য্যাক্ৰমে ৰূপায়িত হৈ আছে বুলি জনাইছে। কিন্তু অধ্যক্ষ মহোদয়, clause 5(1),5(2),5(3)আৰু 5(4) অধ্যক্ষ মহোদয়, ১৯৬৬ লৈকে যিখিনি foreigner এই foreigner খিনিক regularize কৰিবলৈ কোৱা হৈছিলে। এতিয়া ১৯৬৬ লৈকে foreigner অসমত কিমান আছিলে? এই কথাটো কিন্তু

অসমৰ ৰাইজে এতিয়ালৈকে নাজানে। দ্বিতীয়তে ১৯৬৬ ৰ পৰা ১৯৭১ লৈকে যিখিনি মানুহ তেওঁলোকক দহ বছৰ ভোটাৰ হিচাপে নাৰাখি পিছত যাতে তেওঁলোকক registration কৰা হয়। এতিয়া সেই মানুহখিনিকো restore কৰিব লাগিছিলে। বৰ্তমান সেই মানুহখিনি কিমান আছে? ১৯৬৬ লৈকে total কিমান আছিলে আজিলৈকে সেইটো কোনো clear নহয় আৰু ১৯৬৬ ৰ পৰা ১৯৭১ চনলৈকে যিখিনি মানুহ তেওঁলোকৰ কিমানক restore কৰা হ'ল। সেইটো আজিলৈকে কোনো clear নহয়। উত্তৰটোত এই কথাটো নাই আৰু ইয়াৰ পিছত আমাৰ যিটো clause 6 আৰু clause 7 আছে, .Constitutional Legislative Administrative Safeguard as may be appropriate shall be provided to protect, preserve and promote the Cultural, Social, Linguistic identity and heritage of Assam. এই কথাকেইটা উত্তৰত কিন্তু নাই। এতিয়া কথা হ'ল যে **১৯৬৬** চনলৈকে কিমান মানুহ বিদেশী হিচাপে ওলালে যিখিনি regulraize কৰা হ'ল সেইখিনি অসমৰ মানুহে জানিব লাগে। আৰু **১৯৬৬** চনৰ পৰা **১৯৭১** চনলৈ কিমান মানুহ registration কৰিলে, তেওঁলোকক ৰাখিলে, restore কৰিলে নে নাই সেই কথাটো ৰাইজে জানিব লাগে। আৰু **৩** নম্বৰটো হ'ল safeguard, এইটোৰ ক্ষেত্ৰতো কোনো ধৰণৰ উত্তৰ ইয়াত নাই।

**মাননীয় অধ্যক্ষ ঃ** Thank you, Minister Assam Accord please.

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী জলসম্পদ বিভাগঃ** - মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী প্ৰদীপ হাজৰিকা ডাঙৰীয়া যিটো কথা উল্লেখ কৰিছে সেইটো অসম চুক্তিৰ দফা নং ৫ (১), ৫ (২), ৫ (৩), ৫ (৪) এই দফা কেইটাত কোৱা হৈছিল যে যিসকল বিদেশী নাগৰিক চিনাক্ত কৰা আৰু নাম কটাৰ উদ্দেশ্যে **১৯৬৬** চনৰ **১** জানুৱাৰী ভিত্তি বছৰ। ইয়াত উল্লেখ আছে যে **১৯৬৬** চনৰ **১** জানুৱাৰীৰ আগতে যিসকল লোক অসমলৈ আহিছিল আৰু **১৯৬৭** চনৰ নিৰ্বাচনত ব্যৱহাৰ কৰা ভোটাৰ তালিকাত যিসকলৰ নাম অন্তৰ্ভুক্ত হৈছিল তেওঁলোক নিয়মীয়া নাগৰিক কৰা হ'ব।

তাৰ পিছত **১৯৬৬** চনৰ **১** জানুৱাৰী সেইদিনটো সহ **১৯৭১** চনৰ **২৪** মাৰ্চ তাৰিখলৈকে অসমত অহা সকলো বিদেশী **১৯৬৬** চনৰ বিদেশী নাগৰিক আইন আৰু **১৯৭৪** চনৰ বিদেশী নাগৰিক ন্যায়াধিকৰণৰ আদেশৰ ব্যৱস্থা অনুসৰি চিনাক্ত হ'ব। এনেদৰে বিদেশী চিনাক্ত কৰা বিদেশী সকলৰ নাম চলি থকা ভোটাৰৰ পৰা বাদ দিয়া হ'ব আৰু বিদেশী নাগৰিকসকলক সংলিষ্ট জিলা পঞ্জীয়নৰ বিষয়ৰ ওচৰত **১৯৩১** চনৰ বিদেশী নাগৰিকৰ নাম পঞ্জীয়ন আইন আৰু **১৯৩৯** চনৰ বিদেশী নাগৰিক পঞ্জীয়ন সংক্ৰান্তত বিধি অধীনত তেওঁলোকৰ নাম পঞ্জীভুক্ত হ'ব লাগিব। এই চাৰিটা দফাৰ কথা তেখেতে কৈছে। গতিকে এই চাৰিটা দফা অনুসৰি যিখিনি কাম হৈছিল তাৰ তথ্য কেৱল বিদেশী ন্যায়াধিকৰণৰ পৰা ওলোৱা তথ্যৰ ভিত্তিতহে কিছু তথ্য পোৱা যায়। সেইটো হৈছে যে **১৯৬৬** চনৰ পৰা **১৯৭১** চনৰ যিটো stream এইটোত বিদেশী নাগৰিকৰণৰ যিখন tribunal ত সেইটো সময়ত **৩০,২৬৮** জন মানুহৰ case গোচৰ হৈছিল আৰু তেখেত সকলক যি FRR তাত পঞ্জীয়ন কৰা হৈছিল **১৪,৬৫২** জন। এই তথ্যটো কেৱল তাৰ পৰা পোৱা গৈছিল। বেলেগ ধৰণে ইয়াৰ তথ্যআজি মোৰ হাতত নাই। কিন্তু মোৰ যিখিনি তথ্য আছে সেই ভিত্তিত এইখিনি কথা কৈছো, কিন্তু সংখ্যা যথেষ্ট সৰহ আৰু সেই তথ্যখিনি গৃহবিভাগৰ হাতত থাকিব। আপুনি আজি যিহেতু এই সদনতে সুধিছে ইয়াক সংগ্ৰহ কৰি দিব পৰা যাব।

লগতে আপুনি দফা নং **৬** ৰ কথা কৈছে, দফা নং **৬** ৰ মতে ৰক্ষণা - বেক্ষণা আৰু অৰ্থনৈতিক উন্নয়ন। অসমীয় ৰাইজৰ সাংস্কৃতিক, সমাজিক, ভাষীক পৰিচয় আৰু ঐতিহ্য ৰক্ষা সংৰক্ষণ আৰু

বিকাশৰ বাবে যেনেধৰণৰ দৰকাৰ সাংবিধানিক আইনগত আৰু প্ৰশাসনিক ৰক্ষণা বেক্ষণৰ ব্যৱস্থা কৰা হ'ব। এই ক্ষেত্ৰত কিছু কাম হৈছে, আপোনাক দিয়া প্ৰশ্নৰ উত্তৰতো দিয়া আছে যে আমাৰ বিশেষকৈ কেইটা মান কাম লিখি দিয়া আছে যেনেধৰণে সাংস্কৃতিক ক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, জ্যোতি চিত্ৰৱন আৰু প্ৰায় **৩৫৯** খন সত্ৰত এককালীন সাহাৰ্য্য দিয়া হৈছিল। **১৪** টা ঐতিহ্যাসিক কৃতিচিহ্নৰ ৰক্ষণা-বেক্ষণ কৰা হৈছে। এতিয়ালৈকে ইয়াত **১০** কোটি টকা ব্যয় কৰা হৈছে। ভাৰতীয় প্ৰত্নতত্ব বিভাগে অসমৰ ৫ খন ঐতিহাসিক কীৰ্ত্তিচিহ্নৰ সমৰ্থন কৰিছে আৰু বাকীখিনি দফা নং **৭** ত আহিব আপোনাৰ তাত আছে । মই দফা নং **৬** ৰ ক্ষেত্ৰত কেইটামান কথা কৈ যোৱ উচিত হ'ব। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তৎকালীন ভাৱে কেইবাটাও কথা আলোচনা কৰিছে বিশেষকৈ পুৰণি যিখিনি কীৰ্তিচিহ্ন ঐতিহ্য আৰু আমাৰ যিটো পৰিচয় তাৰ ক্ষেত্ৰত ইতিমধ্যে কেইবাটাও জাতীয় সংগঠনৰ লগত আলোচনা কৰিছে, সদৌ অসম চুতিয়া জাতীয় সংস্থা, মৰাণ মটক ছাত্ৰ সংস্থা, আহোম ছাত্ৰ সংস্থা, যুৱ ছাত্ৰ পৰিষদ, কোচ ৰাজবংশী যুৱ পৰিষদ বা ছাত্ৰ সংস্থা ঠিক তেনেধৰণে এই খিলঞ্জীয়া যিসকলৰ অতীতত তেখেত সকলৰ ৰাজ্য আছিল, ৰজা আছিল, কীৰ্তিচিহ্ন আছে, এই ঐতিহ্যখিনি পুনৰ সংৰক্ষণ আৰু বিকাশৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই বিশেষ উদ্যোগ লৈছে আৰু এই দফা নং **৬** ৰ ক্ষেত্ৰত বাকী আটাইখিনি যিখিনি খিলঞ্জীয়াৰ পৰিচয় অতীতৰ সেইখিনিৰ ক্ষেত্ৰত ব্যৱস্থা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিশেষ তৎপৰতাৰে এই কামখিনি হাতত লৈছে আৰু অতি সোনকালে এই ক্ষেত্ৰত আগবাঢ়িব।

**মাননীয় অধ্যক্ষ** ঃ- ঠিক আছে।

**শ্ৰী প্ৰদীপ হাজৰিকা, আমগুৰি** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মানে **১৯৬৬** চনলৈকে কিমান বিদেশীৰ সংখ্যা আছিলে, restore কৰা হ'ল নে নাই। এইখিনি উত্তৰটোত স্পষ্ট হোৱা নাই। **১৯৬৬** চনলৈকে যিখিনি বিদেশী অসমত আছিলে সেইখিনি regularize কৰিব লাগে। প্ৰথম কথা হ'ল **১৯৬৬** চনলৈকে যিখিনি বিদেশী আছিলে সম্পুৰ্ণ ভাৱে ওলোৱা হ'ল নে নাই আৰু সেই খিনি regularize কৰিলে নে নাই। এই কথাটো স্পষ্টকৈ মই সুধিছো।

দ্বিতীয়টো হৈছে **১৯৬৬** চনৰ পৰা **১৯৭১** চনলৈকে যিখিনি মানুহ তেওঁলোকক পঞ্জীয়নকৰণ কৰি restore কৰিব লাগিছিলে। whether these people have been restored or not? what is the total number? এই কথাটো ইমান ভালকৈ স্পষ্ট হোৱা নাই আৰু **৬** নং দফাত যিটো আছিলে Constitutional, Legislative, Safe-guard মই দেখাত তেনেকুৱা ধৰণৰ কাম বিলাক হোৱা দেখা নাই। হয় কীৰ্তিচিহ্ন কৰবাত কৰবাত protect হৈছে কিন্তু ইয়াতে land protection য়ে হোৱা নাই। এতিয়া ইয়াত constitu-tional কোনখিনি safeguard দিছে। Legislative কোনখিনি safeguard দিছে। এই কথাবিলাক স্পষ্টকৈ আমি জনা উচিত।

**মাননীয় অধ্যক্ষ** ঃ-আপোনাৰ প্ৰথম প্ৰশ্নটোৰে দ্বিতীয় প্ৰশ্ন । এইটোত আপুনি specifically answer পোৱা নাই সেইটোকে কৈছে।

Minister, if you can this.

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী, জলসম্পদ বিভাগ**ঃ- মাননীয় অধ্যক্ষ মহোদয়, তেখেতে পুনৰ সেই কথাখিনি পুংখানু পুংখ ৰূপে আকৌ অৱদান কৰিছে আৰু মোৰ ক্ষেত্ৰত ইয়াৰ উত্তৰতো তথ্য ভিত্তিত হ'ব লাগিব । গতিকে সেই তথ্য যে **১৯৬৬** চনলৈকে যিখিনি আছিলে সেইখিনি For-eigner Act, 1946 ৰ মতে হ'ব। আজি সকলো বিলাকে 1946 ৰ মতে হ'ল IMDT উঠি

যোৱাৰ পিছত, IMDT থকা লৈকে ভাগ ভাগ আছিলে গতিকে Act খিনি একে। ইয়াত কিছুমান কথা হৈছে Foreigner’s Tribunal লৈকে এটা কেচ গ’ল তাত কলে যে আপোনালোক **৩০** হাজাৰ মানুহ এইটো stream ৰ, **১৯৬৬** চনৰ আগৰ। গতিকে আপোনালোকে registration কৰক। registration কৰাৰ পিছত **১০** বছৰৰ পিছত আপোনালোকৰ নামটো আপোনা আপুনি নাগৰিকত্ব পাব। এই কামটো বহু মানুহে নিজে নকৰিলে। নকৰা কাৰণে আজি NRC ৰ সমস্যা আহিছে। তেখেতসকলে তেতিয়াই কৰি থোৱা হলে এই দশা নহয়। এতিয়া এইখিনি মানুহৰ ওপৰত আকৌ কেচ হৈছে যি মানুহ হয়তো এতিয়া Detention camp ত আছে। গতিকে এই কথাখিনি আগতে ভালকৈ নোহোৱাৰ কাৰণে আজিলৈকে ইয়াৰ উত্তৰটো ভুল ওলাই আছে। মই এইখিনি কথা আপোনালোকক এই সম্পৰ্কত কলো আৰু দফা নং **৬** ত আপুনি বাৰে বাৰে কৈছে। দফা নং **৬** ৰ বিষয়টো আপুনিওঁ জানে যে যোৱা বাৰ এই বিধান সভাতে আহিছিল Speaker’s Inititative য়ে লৈছিল, সেইটো নহ’ল। এতিয়া দফা নং **৬** ক্ষেত্ৰত সাংবিধানিক ভাৱে কোনো ব্যৱস্থা হোৱা নাই।

এতিয়া clause 6 ৰ ক্ষেত্ৰত সাংবিধানিক ভাবে কোনো ব্যৱস্থা হোৱা নাই। প্ৰশাসনিক ভাৱেও বৰ বেছি হোৱা নাই। ভাষাৰ ক্ষেত্ৰত institute হৈছে, Research কৰিবলৈ দিছে, আনন্দৰাম বৰুৱা institute হিচাপে হৈছে। ঐতিহ্যৰ ক্ষেত্ৰত সংৰক্ষণ কিছু হৈছে আৰু মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই এইবাৰ এটা institute লৈছে, য’ত শ্বহীদৰ স্মৃতি জীয়াই ৰাখিবৰ কাৰণে ১০০ বিঘা মাটিত শ্বহীদ স্মাৰক নিৰ্মাণৰ বাবে ঠিক কৰিছে আৰু এইটো আমাৰ clause 6 ৰ ভিতৰতে আহে। তাৰ বাহিৰেও আমাৰ যিবিলাক আগতে কেন্দ্ৰীয় চৰকাৰৰ চুক্তিত আছিল যে কেন্দ্ৰীয় চৰকাৰে শ্বহীদ পৰিয়াল সকলক সাহাৰ্য্য দিব। সেই সময়ত ৩০,০০০ টকাকৈ দিছিল। ১৯৮৬ চনত ৩০,০০০ টকা বহুত আছিল। এতিয়া মাননীয় মুখ্যমন্ত্ৰীয়ে পুনৰ **৫** লাখকৈ টকা প্ৰতিটো শ্বহীদ পৰিয়ালক সাহায্য দিছে। অসম চুক্তিৰ যিখন Directorate, সেই Directorate টোৱেই সম্পূৰ্ণ নাছিল, ইয়াৰ আগতে। মুখ্যমন্ত্ৰী ডাঙৰীয়া আহি অসম চুক্তিৰ দায়িত্ব লৈ নতুন Directorate office আৰম্ভ কৰিছে। এই কামটো নতুনকৈ আৰম্ভ কৰিব লগা হৈছে। গতিকে বহু কথাই পিচপৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** Thank you. ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী আব্দুল খালেক ঃ** অসম চুক্তি ৰূপায়ণৰ কাৰণে Directorate নকৰিলে ---- (সদনত হুলস্থুল হয়)।

**মাননীয় অধ্যক্ষ ঃ**-This will not go in record. This things will not go on record ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী আব্দুল খালেক ঃ**- অসম চুক্তি যেতিয়া হৈছিল, তেতিয়া আপোনালোকৰ ভূতৰ ওপৰত দানহ পৰিছিল। IMDT আইন কৰিছিল । IMDT আইনে সকলো বাধা দিছিল, (সদনত হুলস্থুল হয়)।

মাননীয় অধ্যক্ষ ঃ Nothing go on record. I have allowed a lot. আজি তিনিটা প্ৰশ্নই বোধকৰো নাপালো। ৰূপজ্যোতি কুৰ্মী আৰু ইমদাদুল হক চৌধুৰীয়ে মোক দুটা Suplimentary কৰাৰ কাৰণে, মই কৰিছো। এই কথাবিলাক আমি যেতিয়াই তেতিয়াই আলোচনা কৰিব পাৰো। সদনৰ অমূল্য সময়বিলাক যদি এনেদৰে যায়, মই ভাবো যে আমি কোনো প্ৰশ্নৰ উত্তৰ নাপাম। আমাৰ Debate হ’ব লাগে, আপোনালোকেও এখেত সকলক কব, তেখেত

সকলেও কব তাত মোৰ আপত্তি নাই। Debate must be constructive য'ৰ পৰা এটা out come আহে। এতিয়া মই ৰূপজ্যোতি কুৰ্মীক কবলৈ কৈছো আৰু আমাৰ ৰুল ৫০ আছে। আপোনালোকে যি কোনো issue আনিব মই দিম।

**শ্ৰী ৰূপজ্যোতি কুৰ্মীঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই চৰকাৰৰ পৰা জানিব বিছাৰিছো অসম চুক্তিৰ ৮৫৫ জন শ্বহীদৰ ফলত হাজাৰজন অসমীয়া। অসম চুক্তিৰ যিটো নাগৰিকত্ব সংশোধনী বিধেয়ক, যিটো দিল্লীৰ পৰা জাপি দিব বিছাৰিছে, কাষৰীয়া মুখ্যমন্ত্ৰী চাংমাই ডাঙৰীয়াই নালাগে বুলি কলে, নাগৰিকত্ব সংশোধনী বিধেয়ক। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে নকলে, আমাৰ সন্দেহ আহিছে যে বিদেশী সোমাব নেকি?

**মাননীয় অধ্যক্ষ ঃ-** Question What is your Question?

**শ্ৰী ৰূপজ্যোতি কুৰ্মীঃ-** অসম চুক্তিত ব্যাঘাত কৰিব নেকি নাগৰিকত্ব সংশোধনী বিধেয়কে? এই প্ৰশ্নৰ উত্তৰ স্পষ্টভাবে আমাক সমগ্ৰ অসমবাসী ৰাইজক দিব লাগে।

**মাননীয় অধ্যক্ষঃ** এইটো related Question যদি হয়, উত্তৰ দিব নহলে পিছত দিব। এইটো উত্তৰ পিছত হব। এতিয়া ইমদাদুল হক ।

**শ্ৰী ইমদাদুল হক চৌধুৰী ঃ-** অধ্যক্ষ মহোদয়, অসম চুক্তিৰ কথা ছাৰ, ইয়াত কোৱা হৈছে আৰু উত্তৰটো, মই Suplementary হে কৰিছো মুল যিটো উত্তৰ দিছে, ইয়াত আমি দেখিছো যে অসম চুক্তি অনুসৰি--

**মাননীয় অধ্যক্ষ ঃ-** plese put your Question.

**শ্ৰী ইমদাদুল হক চৌধুৰী ঃ-** মোৰ মুল প্ৰশ্নটো হ'ল অসম চুক্তিৰ মুল কথাটো আছিল, যে ১৯৭১ চনৰ ২৫ মাৰ্চ, বিদেশী চিনাক্তকৰণৰ। মই মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক সুধিব বিছাৰিছো যে Whether it was a part of Assam, Accord or not. ৭১ চনৰ ২৫ মাৰ্চটো অসম চুক্তিৰ অংশ হয়নে নহয়? ২য়তে যদি হয়,৭১ চনৰ ২৫ মাৰ্চটো অসম চুক্তিৰ অংশ হয়, তেনেহলে ১৬ চনত লোক সভাত Citizenship Amendment Bill, উত্থাপন হওতে আমাৰ চৰকাৰে কিয় বিৰোধিতা নকৰিলে? এই শীতকালীন অধিবেশনত, ৰাজ্যসভাত যিটো--

**মাননীয় অধ্যক্ষ ঃ-** মই আকৌ কৈছো, আপুনি তাৰ কাৰণে এটা বেলেগ প্ৰশ্ন নানিব। আজিৰ প্ৰশ্নটো কি, অসম চুক্তি ৰূপায়নৰ কি কি কাম সম্পূৰ্ণ হৈছে? আপুনি বেলেগ প্ৰশ্ন নানিব।

**শ্ৰী আব্দুল খালেক ঃ-** ছাৰ, আমাৰ মুখ্যমন্ত্ৰী মহোদয় সদনত আছে, অসমৰ ৰাইজৰ কাৰণে এইটো গুৰুত্বপূৰ্ণ প্ৰশ্ন, নাগৰিকত্ব সংশোধনী বিধেয়ক কিয় হ'ব?

**মাননীয় অধ্যক্ষ ঃ-** মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কমলাক্ষ্য পুৰকায়স্থ দে ডাঙৰীয়াই যিটো প্ৰশ্ন আনিছে তাৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে, আৰু যিহেতুকে আপুনি এটা ৰুলিং দিছে, (সদনত পুনৰ হুলস্থুল) ।

**মাননীয় অধ্যক্ষ ঃ** Question Hour is over. Point of order সকলোকে দিম। House টো চলাব লাগিব। অলপ আগতে যি দুটা question হৈছিল, মই কৈছো এইটো যিটো question আছে no-3 ৰ লগত directly related নহয় আৰু সেই কাৰণে separate question লাগিব। মই শ্ৰী মামুন ইমদাদুল হক চৌধুৰী আৰু শ্ৰী ৰূপজ্যোতি কুৰ্মীক কৈছো আৰু পিছৰ প্ৰশ্নটো বোৰ্ডাৰৰ মন্ত্ৰীয়ে দিব লাগিব। মন্ত্ৰী শ্ৰী কেশৱ মহন্তৰ নহয়। কথাবিলাক বুজিব লাগিব।

আপোনালোকে যদি সহযোগ ভালকৈ কৰে প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ দিবলৈ চৰকাৰ প্ৰস্তুত আছে আৰু মই চৰকাৰক কম, উত্তৰ দিবলৈ। ইয়াত কোনো লুক-ঢাক কৰিব নাই। কথাটো শুনক, question hour ত ২০ টা question থাকে, মই allow কৰিলেহে মন্ত্ৰীয়ে উত্তৰ দিব পাৰিব। সকলোৰেতো বহুত কষ্ট কৰি question prepare কৰে। আমি নিজেও বুজিব লাগিব ছয়-সাতটা প্ৰশ্ন যাওঁক। ২০ টাতো নোৱাৰি। ইমান সম্ভৱ নহয়। ঠিক আছে। Please co-operate.এতিয়া point of order টো হৈছে Interpretation of Rules কোনো বেলেগ issue নানিব ইয়াত। কিবা ইছু থাকিলে 301ত Notice দিব। I will allow.মোৰ ইয়াত 301ৰ Notice য়ে নাই। মই কালিলৈকে চাইছো। দুদিনৰহে আছে Notice. Anything, point of order misuse নকৰিব। কিবা দৰকাৰী বিচাৰিলে 301ত আমি দিছো। Special mention দিছো। লোকসভাৰ আৰ্হিত আমি কৰিছো, অকনমান সময় আপোনালোকক দিয়া হ'ব। উত্তৰটো অলপমান সময়ৰ ভিতৰত হ'ব। সেই কাৰণে point of order আছে you can raise.কোনে কৰিব প্ৰথমে। এটা ফালৰ পৰা গৈ আছে। কওঁক, One by one. what is your point of order.

শ্ৰীকমলাক্ষ দে পুরকাযস্থ :- অধ্যক্ষ মহোদয় আমরা যখন এই পবিত্র সদনে প্রবেশ করি এই বইটাই আমাদের সর্বস্ব। এই বই অনুসরণ করেই আমাদের চলতে হয়। অধ্যক্ষ মহোদয় we are lawmaker.আমরা আইন বানিয়ে থাকি। we are answerable to the people.

**মাননীয় অধ্যক্ষ :-** what is your point of order.

**শ্ৰীকমলাক্ষ দে পুরকাযস্থ** :- অধ্যক্ষ মহোদয়,আমাদের মন্ত্রী মহোদয় বললেন সুপ্রিম কোর্ট কোন information দিতে বাধা দিয়েছে।

**মাননীয় অধ্যক্ষ ঃ** :- This is not a point of order. you can give a notice, I will allow you.

শ্ৰীকমলাক্ষ দে পুরকাযস্থ :-Rule 50 তে দিয়েছি।

**মাননীয় অধ্যক্ষ ঃ** আমি চাম। চাই উত্তৰ দিম। সেইটো কথাত point of order নহয়। Rule 50 মই এতিয়ালৈকে decide কৰা নাই। first day, Please, আপুনি গম পাব what is your point of order.

**শ্ৰী ৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ জানিবলৈ আছিলে চৰকাৰৰ পৰা অন্ন বালা ৰায়ৰ দৰে বৃদ্ধ মহিলাৰ প্ৰকৃত অসমীয়া, প্ৰকৃত ভাৰতীয় এনেকৈ যে টানিমেলি লৈ যোৱা আৰু হ'ব নেকি প্ৰকৃত অসমীয়াৰ ওপৰত।

**মাননীয় অধ্যক্ষ ঃ** You can give a notice, you can discuss, আপুনি ন'টিচ এটা দিব, এইটো বিষয়ৰ উলিয়াব। মই উলিয়াই দিম। শ্ৰী কমল সিং নাৰ্জাৰী।

**শ্ৰী কমল সিং নাৰ্জাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, Bodoland University ত VC Retired . হোৱাৰ পিছত তেখেতক আকৌ extention দিয়াৰ ফলত আকৌ অচলা অৱস্থাত আছে।

**মাননীয় অধ্যক্ষ ঃ** You can give a notice, I will allow you.

**শ্ৰী কমল সিং নাৰ্জাৰী ঃ** Thank you.

**মাননীয় অধ্যক্ষ ঃ** 301ৰ Notice দিব। শ্ৰী আমিনুল ইছলাম ।

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মোৰ ১নং প্ৰশ্নটোত যিখিনি তথ্য এতিয়ালৈকে কালেক্ট কৰা হোৱা নাই, আমি ভাৰো চৰকাৰে যদি তথ্যখিনি কালেক্ট কৰি কিমান দিনৰ ভিতৰত দিব যিহেতু বিষয়টো গুৰুত্বপূৰ্ণ।

**মাননীয় অধ্যক্ষ ঃ** আপোনাক দিব বুলি কৈছে দিম। আপুনি মন্ত্ৰী ডাঙৰীয়াৰ চেম্বাৰত যাব। তেখেতে কৈছিল, আমি দিব পাৰিম। যদি নিদিয়ে You can come to me.

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়া যিহেতু আছে।এখন শ্বেতপত্ৰ দিলে ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** This is not a point of order. শ্ৰী ইমদাদুল হক চৌধুৰী।

**শ্ৰী ইমদাদুল হক চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাটো তেনেকুৱাই হ'ব। মাননীয় মন্ত্ৰী পাটোৱাৰী ডাঙৰীয়াই যেতিয়া FT সম্পৰ্কত উত্তৰ নিদিলে মই Supplimentary কৰিব বিছাৰিলো বস্তুটো। আমাৰ লক্ষীমপুৰৰ যিজন FT মেম্বাৰ 66,71,51 ৰ যিবিলাক certified copy দিয়ে তেখেতে কয় যে, এইটো certified copy , এইটো কি প্ৰমাণ।

**মাননীয় অধ্যক্ষ ঃ** এক মিনিট। You give this to me, I will call the Minister and discuss with him. শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই কব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ আজি এটা প্ৰশ্নৰ উত্তৰত অৱশ্যে মই ছয় জনগোষ্ঠীৰ কথা এটা উল্লেখ কৰিছিলো। সেইটো ইতিমধ্যে ভাল পাইছো।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ কি point of order আছে কওঁক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা কথা আছে।

**মাননীয় অধ্যক্ষ ঃ** point of order কওঁক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা কথাখিনি শুনি ললে ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** শুনিব নালাগে। point of order কওঁক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাটো হ'ল আগতে বিধান সভাত মই এই কথাটো উলিয়াইছিলো যে, কলিতা জনগোষ্ঠীৰ এখন expert committee হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি ন'টিচ এটা দি দিয়ক। কলিতা জনগোষ্ঠীৰ কথা মই ক'বলৈ দিম।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো Assembly ৰ লগত জড়িত।

**মাননীয় অধ্যক্ষ ঃ** মই কৈছো, you give a notice I will allow you.I will allow 5 minutes to discuss. এতিয়া মই এই adjourment motion দুটাত আহিছো। একে ধৰণৰ। মই দুটা adjourment পাইছো। একে বিষয়ৰ লগত club কৰি লম। মই এটা কথা শুনিব বিচাৰিছো। আমাৰ ৰুল্চ বুকত কৈছে যে, adjourment motion ৰ বিষয়টো ল'বলৈ হ'লে আমি after the question hour and before the list of business is entered upon. Business list বুলি ক'লে যোৱাবাৰ আপোনালোকে কৈ দিলে। সেইকাৰণে মই কৈছো। মই বিশেষ নকওঁ। Business list খন আজি আমাৰ সকলোৰে টেবুলত আছে। ১ নংটোত প্ৰশ্নটো আছে আৰু ২ নংটোত আছে কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন। তাৰ মাজত কিন্তু এটা বস্তু আছে। Business কেতিয়া list ত নাথাকে। এইটো Zero hour. সেই কাৰণে মই যোৱাবাৰ কৈছিলো যে, লিষ্টত থকাটো ওলোৱাৰ আগমূহুৰ্তত মই adjourment motion ত দিম। এইটো আছিল ৰুল । কিন্তু ৰুলটো যে সদায় একেই থাকিব। এনে নহয় বা

flexible যে নহয়, এইটোও নহয়। কিন্তু BAC(Business Advisory Committee) আৰু rule committee বহি এইটো ঠিক কৰিব লাগিব। Whether we include Zero hour in the list of business or not. If not it is a part of the question hour হ'ব। কাৰণ আগৰ মই কিতাপ চাইছো। আগতে Zero hour টো নাছিল। 76, 78 ৰ মই চাইছো। তেতিয়া হৈছিল আৰু এটা কথা obituaryটো সদায় শেষত দিওঁ। আগৰ চাইছো মই বিধান সভাৰ। obituaryটো question hour ৰ পাচতে দিছিলে। মই এইবাৰ কোৰা নাই। এই কথাখিনি এই কাৰণে কৈছো। ৰুল কিছুমান স্পেচিফিক হোৰা ভাল। সদায় ভাল precedent এটা হ'ব লাগে, বেয়া precedent নহয়। সেই কাৰণে মই সদস্যসকলক শুধিছো, Zero hour আগত দিম নে তাৰ আগতে আপোনালোকে ক'ব বিচাৰে। ৰুল মতে Zero hour টো প্ৰথমতে দিব কয়। তথাপিও I am open to discussion. ইয়াত কোনো strict নিয়ম নাই যে, rule টো এনেকুৱা বুলি। কিন্তু Zero টো যদি আগতে দিব লাগে তেতিয়া rule টো বনাব লাগিব। আজি মই যিটো কাম কৰিম যদি Zero hour টো আগতে নিদি আপোনালোকক দিও It will be that preceedence. It is an exception for today. মই তাৰ পাছত কৰিম। এতিয়া হাউচে সিদ্ধান্ত কৰিব লাগে। কওঁক।

**শ্ৰী দেৱব্ৰত শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, Zero hour ৰ আগতে দিব বিচাৰিছো, যিহেতু সদনৰ কাৰ্য্যসূচী স্থগিত কৰা কথা আছে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। Zero hour, Thank you. The Rule will remain same. এতিয়া আপোনালোকে Zero hour টো আগতে দিব কৈছে। As per existing rule. মই নিয়মমতে Zero hour টো আগতে লব লাগে কিন্তু যোৱাবাৰ বহুতে কৈছে আগৰ precedent আছে।

**শ্ৰী দেৱব্ৰত শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, Zero hour ৰ আগতে বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** সকলোৰে বিচাৰিব লাগিব।

**শ্ৰীহাফিজ বচিৰ আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিটো পৰম্পৰা চলি আহিছে, সেইমতে হোৱাটো বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** পৰম্পৰাটো কি?

**শ্ৰীহাফিজ বচিৰ আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, Zero hour ৰ আগত বিচাৰিছো।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, পৰম্পৰা আমিও বিচাৰিছো। Zero hour টো আগত হয়।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সদনৰ পৰম্পৰা আছে প্ৰশ্ন উত্তৰ আৰম্ভ হোৱাৰ আগতে ইয়াত সভা স্থগিত প্ৰস্তাৱ ৰেইজ হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ভাল পৰম্পৰা ৰক্ষা কৰিব লাগিব আমাৰ কথা হৈছে আমি আলোচনাটো সকলোৰে কৰিম। মই কৈছো যে, rule টো মই follow কৰো, সেই কাৰণে কৈছিলো। If necessary I will call a rule committee meeting. আৰু তেওঁলোকে যদি বিচাৰে, আপোনালোক সকলোৰে বিচাৰে, মই ৰিভাইজ কৰি দিম। আজি তাৰিখত Zero hour টো প্ৰথমতে হ'ব। (হুলস্থূল)...

**শ্ৰী দেৱব্ৰত শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি আমি মূল্যবৃদ্ধিৰ ওপৰত সভাস্থগিত প্ৰস্তাৱ এটা দখিল কৰিছিলো। বিশেষকৈ পেট্ৰল ডিজেলৰ মূল্যবৃদ্ধিৰ ওপৰত আলোচনা কৰিব

বিচাৰিছিলো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** আমাৰ কথাখিনি শুনিব লাগিব , অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** This House consists of 126 Members, তাত কিছু opposition আছে। কিছু ruling ত আছে। এতিয়া কথাটো হ'ল প্ৰত্যেকটো বিধায়িনী দলৰ দলপতি সকলে যদি permission দিয়ে মই আজিৰ কাৰণে rule টো অলপ ৰাখি adjourment motion ৰ আগতে আনিলোহেঁতেন। মোৰ আপত্তি নাই। কিন্তু আপোনালোকে কিতাপবোৰ পঢ়ক। তাত লিখা আছে।পৰম্পৰাৰ কথা নকব। কিতাপখন আমি এনেয়ে কৰা নাই। Please.পৰম্পৰাটো তেনেকে নহ'ব। আমি ৪৭ চনৰ পৰা চাব লাগিব। যোৱা দহ পোন্ধৰ বছৰৰ কথা নহয়।পৰম্পৰাটো Since Independence মই কৈছো I have books with me. আপোনালোকে পঢ়ক।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কিতাপত পৰম্পৰা নাই।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকৰ হৈছে। বহক । হাউচটো চলিব লাগিব। কথাটো হৈছে মই আগতে ক'লো যে, যোৱাবাৰ মই আগতে adjournment motion দিছিলো । আপোনাৰ বহুতে কৈছে যে এইটো পৰম্পৰা আছিলে আজি কিয় নকৰিলে। I have gone through the books in the library । কিন্তু আপুনি যদি rule book follow কৰিব লগীয়া হয় তেন্তে আমি পৰম্পৰাৰ বাবে rule book break কৰি কৰিব নালাগে। সেই কাৰণে মোৰ suggestion আছিল যে, আমি rule book খন ৰাখি zero hour টো list of Business ত ভৰাই দিলে after question hour we can take adjournment motion rule ও থাকিব, পৰম্পৰাও থাকিব । এইখিনি ১০-১৫ চনৰ ভিতৰতহে হৈছে , আগতে নাছিল। প্ৰয়োজন হ'লে আপুনি library ত গৈ check কৰিব পাৰিব। এইটো debate issue নহয়। মই বিচাৰিছো, এটা combine approach এটা লৈ, যিটো শুদ্ধ , আমি ৰুল বুকখনত ভৰাই দিয়াটো ভাল। আজি মই ৰুল বুকখন চাইছো তাত আছে, লিষ্ট অৱ বিজিনেছত সোমোৱাৰ আগতে এডজৰ্ণমেন্ট মোশ্যন দিব লাগে। তাত কোৱা নাই আফটাৰ 'জিৰো' আৱাৰ বুলি যে এটা বস্তু আছে । আমাৰ list of Business ত নাই। সেই কাৰনে মোৰ পৰামৰ্শটো হ'ল আমি সকলোৰে মিলি ' Zero hour টো যদি লিষ্ট অৱ বিজিনেছৰ এক নংত দিও, তেতিয়া আগলৈ adjournment motion খিনি আফটাৰ কোৱেশ্যন আৱাৰত দিবলৈ সুবিধা হয়। পৰম্পৰা বুলি ক'লে তাত কেইবাটাও আছে। সেইটো আমি কৰিব পাৰো, কোনো আপত্তি নাই কিন্তু ৰুলটো ঠিক কৰি ল'লে ভাল । তথাপি আজিৰ দিনটো মই exception বুলি কৈছো। আজি যদি Houseয়ে কয় প্ৰথমে এইটো ল'ব লাগে, সকলোৰে কেৱল পৰম্পৰা বুলিয়ে ক'ব। এইটো precedent বুলি নক'ব। আজিৰ দিনটো লেখা থাকিব যে আজিৰ দিনটো exception। আমাৰ ৰমেন কলিতা ডাঙৰীয়াই তেখেতসকলৰ দলৰ পৰা ক'লে যে, প্ৰথমে 'জিৰো' আৱাৰ ল'ব লাগে। এতিয়া মই প্ৰথমে কংগ্ৰেছ বিধায়িনী দলক শুধিছো প্ৰথমে Zero hour টো আগতে ল'ম নে adjournment motion আগতে ল'ম ?

**কংগ্ৰেছ বিধায়িনী দল ঃ** অধ্যক্ষ মহোদয়, আগতে Zero hour লাগে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া এ আই ইউ ডি এফ দলক শুধিছো, আগতে কি ল'ম ?

**হাফিজ বছিৰ আহমেদ , এ আই ইউ ডি এফ ঃ** ইমান দিনে আমি পাই আহিছো যে question hour পিছতে adjournment motion আহে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে , মই Parliamentary Minister ডাঙৰীয়াক শুধিছো। এইটো ক্ষেত্ৰত মোৰ flexibility আছে, কোনো rigid নহয়।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয় কেতিয়াবা mention থাকে কিছু ক্ষেত্ৰত। কিন্তু অধ্যক্ষ ডাঙৰীয়া আৰম্ভণিতে কৈছে যে, ১০ বছৰৰ কথাটো convention হ'ব নোৱাৰে। যদি কনভেনশ্যন হয় অসম বিধান সভাত যিদিনা constitute হৈছিলে সেইদিনাৰ পৰা যদি চলি থাকিলেহেতেঁন , তেতিয়াহ'লে সেইটো কনভেনশ্যন হ'লহেতেঁন। এতিয়া অধ্যক্ষ মহোদয় , আপুনি clearly কথাখিনি হাউচক এৰি দিছে । যিহেতু এই কথাটো ৰুলত নাই। যদি ৰুলত আনিব লাগে তেতিয়াহ'লে আমি বি এ চিত বহি এটা rule frame up কৰিব লাগিব। 'জিৰো' আৱাৰৰ আগত 'এডজৰ্ণমেন্ট মোশ্যন' দিব লাগিব। কিন্তু as per procedure of rules and conduct of business ইয়াত আচলতে কি হয় 'জিৰো' আৱাৰটো আগতে আহিব আৰু তাৰ পিছত' এডজৰ্ণমেন্ট মোশ্যনটো ' আহিব। adjournment motion টো আচলতে কি, কথাটো এনেকুৱা যে, যিখিনি গভৰ্ণমেন্টৰ বিজিনেছ আছে কোৱেশ্যন আৱাৰ, জিৰো আৱাৰৰ পিছত, গোটেই Government of Business খিনি বাদ দি হাউচে এটা এডজৰ্ণমেন্ট মোশ্যন বিচাৰিছে অন দিছ ইছ্যু- এইটোহে কথা। গতিকে গভৰ্ণমেন্টৰ যিখিনি মেটাৰ আছে, এই বিজিনেছবিলাক বাদ দি পেলাই আমি এডজৰ্ণমেন্ট মোশ্যন দিছো । গতিকে আজি এই বিষয়টোৰ ওপৰত আলোচনা হ'ব। কংগ্ৰেছ দলটো বহু পুৰনি দল। প্ৰায় ১৩০ বছৰীয়া দল। গতিকে কংগ্ৰেছ দলে ৰুলমতে গ'লে মোৰ মতে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** মই সকলোকে এটা অনুৰোধ জনাইছো। adjournment motion টো যিহেতু আনিছে বিৰোধী পক্ষৰ দুটা দলে, আৰু দুয়োটাই combinely একেটা বস্তুকে দিছে। আজি মই কৈছো এইটো কোনো pricident নহয়। আমাৰ AGP বিধায়িনী দল, BJP বিধায়িনী দল, BPF বিধায়িনী দলে যদি আপত্তি নকৰে। কাৰণ বস্তুটো তেখেতসকলে আনিছে । ইয়াৰ পিছত ৰুলমতে হ'ব। rule টো frame কৰা হ'ব। যিহেতু দুটা দলে adjournment motion টো আনিছে মই কেৱল পৰিবেশটো ঠিক কৰিব বিচাৰিছো। ইয়াৰ পিছত BAC বহিব, RULES COMMITTEE বহিব।

এতিয়া এডজৰ্ণমেন্ট মোশ্যনটো আমি ল'ম , আৰু এটা মই exception কৰিব বিচাৰিছো । যিহেতু আগৰে আছে, সেয়ে মই একেলগে লৈছো। ইয়াৰ পিছতে আমি obituary টো কৰি ল'ম। obituary টো সদায় প্ৰথমতে কৰিব লাগে । আমি এইটো last লৈ থৈ দিও। এতিয়া BAC Report টো কৰি ল'ম। তাৰ পিছত আপোনালোকে ক'ব। পিছলৈ আমি এইখিনি এটা ৰুল কৰি ল'ম। obituary টো details নকৰো , কেৱল মেনশ্যন কৰিম।

এতিয়া অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যবিৰৰণীৰ যিটো নিয়ম আছে, সেইমতে আমি এখন সভাপতিমণ্ডলী কৰিব লাগে। সেই সভাপতিমণ্ডলীত এইবাৰ শ্ৰীমতী অজন্তা নেওগ, শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা,শ্ৰীবীৰভদ্ৰ হাগজেৰ, আৰু শ্ৰীভূৱন পেগু এই ৪ জনক নমিনেট কৰিছো। আমাৰ বিধান সভাৰ কাৰ্য উপদেষ্টা সমিতিৰ প্ৰতিবেদন আছিল । ইতিমধ্যে 24 september তাৰিখে আমি অধিবেশনৰ দিন পঞ্জীয়ণ চুড়ান্ত কৰিছো। সেই দিনপঞ্জীৰ তালিকা আপোনালোকৰ টেবুলত দিয়া আছে। ইয়াত যিখন কাৰ্য্যসুচী আছে সেইখন আপোনালোকক দিছো। অহা 26 september , ২০১৮ তাৰিখে উপাধ্যক্ষৰ খালী পদ পূৰণৰ বাবে নিৰ্ব্বাচন হ'ব। তাৰ বাবে কালিলৈ নোটিফিকেশ্যন জাৰি হ'ব। ২৪ চেপ্টেম্বৰত , ২০১৮ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰীৰ দাবী আজি উত্থাপন হ'ব। আৰু

4 october তাৰিখে পৰিপূৰক দাবী মঞ্জুৰীৰ ওপৰত ভোটদান হ'ব। আৰু এটা কামৰ দায়িত্ব লৈছিলো সেইটো হ'ল যে, আমাৰ গৌৰৱ হিমা দাস "ভিলেজ ৰকষ্টাৰছ " ছবিৰ পৰিচালিকা ৰীমা দাস আৰু অভিনেতা আদিল হুছেইনক অভিনন্দন জনাই আজি আমি এটা প্ৰস্তাৱ ল'ম । সেইদিনা আমি Business advisory Committee ত লৈছিলো। সেইখন আপোনালোকৰ জ্ঞাতাৰ্থে ক'লো। এতিয়া আমাৰ যিটো obituary টো আছে সেইটো আমি কৰি লওঁ। " এই অসম বিধান সভাৰ ষষ্ঠদহ অধিবেশন সমাপ্তিৰ পৰা আজি ২৪ তাৰিখ পৰ্য্যন্ত এই কালছোৱাৰ ভিতৰত আমাৰ কেইবাজনো বিশেষ বৰণ্যে ব্যক্তি পৰলোকপ্ৰাপ্তি ঘটে আৰু আমি বৰণ্যে ব্যক্তিসকলৰ নাম আমি উল্লেখ কৰিব বিচাৰিছো। প্ৰথম- ভাৰতৰ প্ৰাক্তণ প্ৰধান মন্ত্ৰী ভাৰত ৰতন অটল বিহাৰী বাজপেয়ী ডাঙৰীয়া, তেখেতে ইহলীলা সম্বৰণ কৰে। তাৰ পিছত লোকসভাৰ প্ৰাক্তণ অধ্যক্ষ সোমনাথ চেটাৰ্জী ডাঙৰীয়াই ইহলীলা সম্বৰণ কৰে। আমাৰ প্ৰাক্তণ ৰাজ্যপাল ভীস্ম নাৰায়ণ সিং ডাঙৰীয়াও তেখেতে আমাৰ মাজৰ পৰা আতৰি যায়। ৰামচন্দ্ৰ শৰ্মা আমাৰ প্ৰাক্তণ ৰাজ্যিক মন্ত্ৰী , ৰছিদুল হক , প্ৰাক্তণ ৰাজ্য মন্ত্ৰী, প্ৰসাদ চন্দ্ৰ দলৈ, বিবেকানন্দ দলৈ এইকেইজন ৰাজ্যিক মন্ত্ৰী আৰু শেষৰজন সংসদীয় সচিব। তামিলনাডুৰ প্ৰাক্তণ মুখ্যমন্ত্ৰী কৰুণানিধি ডাঙৰীয়া, বিশিষ্ট সাংবাদিক কুলদীপ নায়াৰ, মুক্তি যোদ্ধা বিষ্ণু প্ৰসাদ বৰুৱা, সাংবাদিক মোহন কাকতি, সাংবাদিক সীমান্ত ভাগবতী, বৈষ্ণৱ পণ্ডিত দয়াল কৃষ্ণ বৰা, সত্ৰ মহাসভাৰ প্ৰাক্তণ সভাপতি, ভদ্ৰকৃষ্ণ গোস্বামী, বিশিষ্ট অভিনেতা গুণ মহন্ত, নাট্য জগতৰ এক বিশিষ্ট স্থান অধিকাৰ কৰিবলৈ সক্ষম হোৱা আৰু অকালতে হেৰাই যোৱা বিশিষ্ট নাট্যকাৰ শুক্ৰাচাৰ্য ৰাভা, প্ৰসিদ্ধ সত্ৰীয়া সংস্কৃতিৰ সাধক শৈলেন শইকীয়া, বিশিষ্ট সাংস্কৃতিক সংগঠক বিভুচৰণ বৰুৱা, বিশিষ্ট অভিনেতা বাদল দাস, বিশিষ্ট শিক্ষাবিদ ও সাহিত্যিক প্ৰফুল্ল কটকী, অসমীয়া অনুবাদ সাহিত্যৰ অন্যতম কাণ্ডাৰী আবুল লেইচ, বিশিষ্ট শিক্ষাবিদ ও সাহিত্যিক ড০ তৰুণা ঠাকুৰ, প্ৰথিতযশা সাহিত্যিক কেশদা মহন্ত, অসম নেপালী সাহিত্য সভাৰ সভাপতি বিশিষ্ট সাহিত্যিক হৰি গজুৰেল আৰু ড০ ভূপেন হাজৰিকাৰ অত্যন্ত ঘনিষ্ঠ তথা সাংস্কৃতিক কৰ্মী কল্পনা লাজ্মীৰ এই কেইজনৰ অকাল বিয়োগ হয়। সেইকাৰণে তেখেত সকলৰ স্মৃতিত এক মিনিট সময় সকলোকে ঠিয় হৈ স্মৃতিচৰণ কৰিবলৈ অনুৰোধ কৰিছো। ওঁম শান্তি। এতিয়া হিমা দাসৰ পাঠটো পাঠ কৰি যদি দিয়ে, তাৰ পিছত আমি Adjornment motion দিবলৈ সক্ষম হম।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এটা সম্বৰ্ধনা প্ৰস্তাৱ এটা গ্ৰহণ কৰিবলৈ লৈছো, প্ৰস্তাৱটো এনেধৰণৰ --

আজি অসম বিধান সভাই অসমৰ সুযোগ্যা সন্তান হিমা দাসে বিশ্বৰ ক্ৰীড়াংগনত দেশ তথা অসমৰ নাম সুপ্ৰতিষ্ঠিত কৰাত আনন্দিত হৈ অসমৰ সমূহ জনগণৰ হৈ হিমা দাসক অভিনন্দন জনাইছো। স্বৰ্ণকন্যা, তোমাৰ এই চমকপ্ৰদ সফলতাই আমাক সকলোকে গৌৰৱান্বিত কৰি তুলিছে, বৰাক-ব্ৰহ্মপুত্ৰ, পাহাৰে ভৈয়ামে অসমৰ চুকে-কোণে তুমি আনন্দ-উছাহৰ ঢল বোৱাইছা। ফিনলেণ্ডৰ পৰা জাকাৰ্টাৰ ক্ৰীড়াংগনলৈকে তুমি মাথো দৌৰাই নাই, বৰদৈচিলাৰ শক্তিৰে তুমি প্ৰচণ্ড গতিৰে উৰিছাহে মাথোন। ভূপেনদাৰ গীতত উল্লেখ থকা "পখীৰাজ ঘোঁৰা"ৰ অপৰিসীম বল-শক্তি যেন তোমাতে সমৃদ্ধ হৈ আছে। বিভিন্ন ঘাট-প্ৰতিঘাটকো নেওচি, একমাত্ৰ অসম বাসীৰ আশীষক মূলধন-সাৰথি কৰি কঠোৰ পৰিশ্ৰম আৰু একাগ্ৰতাৰে তুমি বিশ্বৰ ক্ৰীড়াংগন দূৰন্ত গতিৰে অগ্ৰসৰ হৈছা। তোমাৰ এই অজেয় একাগ্ৰতাক আজি অসম বিধানসভাই শ্ৰদ্ধাৰে নমন কৰিছে। তোমাৰ দুই ভৰি হৈ পৰক তোমাৰ দেউকা, আকাশৰ শুকুলা ডাৱৰ ভেদি বুটলি আনা তৰা-নক্ষত্ৰ

আৰু চিৰযুগলৈ জিলিকাই তোলা তোমাৰ মাতৃভূমিক - আজি এয়াই হৈছে প্ৰতিজন অসমবাসীৰ ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা। অনাগত দিনত জীৱনৰ প্ৰতিটো খোজতে সফলতাই যেন তোমাৰ সংগী হওঁক, আজি অসম বিধান সভাই তাকেই কামনা কৰিছে আৰু তোমাৰ উজ্জ্বল ভৱিষ্যতৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছে।

হিমা দাসৰ লগতে অসম বিধান সভাই আজি অসমৰ সুযোগ্যা জীয়ৰী ৰীমা দাসকো অসমৰ সমূহ জনগনৰ হৈ অভিনন্দন জনাইছো। ভিলেজ ৰকষ্টাৰ্ছ (Village Rockstars) বোলছবিৰ প্ৰয়োজক-পৰিচালক হিচাপে দেশে-বিদেশে অসমলৈ সুনাম কঢ়িওৱা অসম সন্তান ৰীমা দাসৰ বোলছবিখন Oscar ৰ বাবে মনোনীত হোৱাত সমগ্ৰ অসমবাসীৰ হৈ অসম বিধান সভাই ৰীমা দাসক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে ৰীমা দাসৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিছে।

আন্তৰাষ্ট্ৰীয় পৰ্য্যায়ত বোলছবিৰ ক্ষেত্ৰ অসমৰ নাম জিলিকাই তোলা আদিল হুছেইনকো আমি শুভেচ্ছা জনাইছো।

দহ মিটাৰ Air Rifle ISSF World Junior Championship ত সোণৰ পদক পোৱা অসম সন্তান হৃদয় হাজৰিকাকো আমি শুভেচ্ছা-অভিনন্দন জ্ঞাপন কৰিছো।

Masters Asia Pacific 5000 Meter Walk ত সোণৰ পদক পোৱা পখিলা ইংতিপিকো অসমৰ সমূহ জনগনৰ হৈ অসম বিধান সভাই শুভেচ্ছা-অভিনন্দন জনাইছো। এইটো প্ৰস্তাৱ অসম বিধান সভাই গ্ৰহণ কৰিছে।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ ঃ** অধ্যক্ষ মহোদয়, এটা সৰু অনুৰোধ আছিল, মুখ্যমন্ত্ৰী মহোদয় যিহেতু ইয়াত উপস্থিত আছে। হীমা দাসকো বাকী সকলৰ লগত আজি অভিনন্দন জনোৱাৰ কাৰণে ছয়গাঁৰৰ বিধায়ক হিচাপে আপোনাসবক ধন্যবাদ জনাইছো। মুখ্যমন্ত্ৰী মহোদয়ক আজি সন্মুখতে পাইছো, সেইবাবে এটা অনুৰোধ জনাওঁ যে ভিলেজ ৰকষ্টাৰ্ছ (Village Rockstars) বোলছবিখন এতিয়া Oscar ৰ বাবে যাব, প্ৰচাৰৰ কাৰণে যথেষ্ট পইচাৰ প্ৰয়োজন। যাতে মহামহীম মুখ্যমন্ত্ৰী মহোদয়ে আজি অধ্যক্ষ মহোদয়ৰ জৰিয়তে অনুৰোধ জনাইছো এটা শকত ধনৰ, যেনেকৈ হিমা দাসক ১.৬০ কোটি টকা দিছে আৰু দিয়ক সকলোকে, বেছি বেছি সুবিধা পাওঁক আৰু ৰীমা দাসকো আজি যাতে এটা Announcement দিয়ে, যাতে বোলছবিখন ছয়গাঁও দক্ষিন প্ৰান্তৰ ছোৱালী এজনীয়ে ইমান দূৰলৈ পঠিয়াইছে আৰু যাতে প্ৰচাৰ কৰিবলৈ সুবিধা হয়। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। তেখেতে কৈছে, মুখ্যমন্ত্ৰীয়ে জনাইছে যে He will consider.

**শ্ৰী আমিনুল ইছলাম ঃ** মাননীয় অধ্যক্ষ মহোদয়, হিমা দাস মোৰ সমষ্টিৰ ছোৱালী আৰু তাইক অসম বিধান সভাই যিটো আজি সম্বৰ্ধনা-শুভেচ্ছা জ্ঞাপন কৰিলে সেইকাৰণে অসম বিধান সভাক মই আকৌ ধন্যবাদ জ্ঞাপন কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ সমষ্টি মোৰ শহুৰবাৰী, এতিয়া Adjornment motion.

**শ্ৰীৰকিবুল হুছেইন ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটো আনাৰ বাবে আমি আমাৰ ফালৰ পৰা ধন্যবাদ জনাইছো। লগতে যি সকল।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, Thank You. এতিয়া মই Next লৈ যাব বিচাৰিছো।

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** অধ্যক্ষ মহোদয়, Point of Order.

**মাননীয় অধ্যক্ষ ঃ** অলপ আগতে দিছিলো Point of Order.

**শ্ৰীৰকিবুল হুছেইন ঃ** অধ্যক্ষ মহোদয়, লগতে যি সকল প্ৰত্যক্ষ-পৰোক্ষ ভাৱে জড়িত তেওঁলোকক

আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ঠিক আছে।

**শ্ৰীৰকিবুল হুছেইন ঃ** সেইসকল Association, Athletic Association Olympic, Sports জিলা সন্থা।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, নাম কেইটা সোমাই দিলে ভাল হ'ব।

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** চাৰ, এটা Point of Order.

**মাননীয় অধ্যক্ষ ঃ** কওঁক, আকৌ।

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** ছাৰ, The Parliamentary Procedure is this: Since inception agenda ত থকা item লোৱাৰ আগত আৰু Question Hour ৰ শেষত Zero Hour থাকিব লাগে আৰু agenda ত থকা item লোৱাৰ আগতে adjournment motion লব লাগে। আজি ছাৰ, Zero Hour আৰু adjournment motion লোৱাৰ আগতে আপুনি তিনিটা agenda ৰ তিনিটা item শেষ কৰিলে। You have created this Precedence and it is the worst precedence in the history of Parliamentary Procecdures.

**মাননীয় অধ্যক্ষ ঃ** Today is an exception, I say, it will not be Precedence, I have taken the concent of the House. You are not have an exception. You are a part of the House, I have taken the concent, এইটো কৰাটো ঠিক নহয়। This is not a Point of Order, Please. দেৱব্ৰত শইকীয়া আৰু আমিনুল ইছলাম।

**শ্ৰী দেৱব্ৰত শইকীয়া ঃ** অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে Move কৰিব।

**শ্ৰীফনিভূষন চৌধুৰী, মন্ত্ৰী ঃ** চাৰ, মাননীয় সদস্য গৰাকীয়ে আপোনাৰ এই সিদ্ধান্ত worst precedence বুলি কৈছে।

**শ্ৰী ছন্দন ব্ৰহ্ম, মন্ত্ৰীঃ** Worst precedence বুলি কৈছে, এইটো withdraw কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এইটো বাদ দিয়া যাবই, কিন্তু মই কৈছো I have left everything to the wisdom of the members. They are all educated members, they are not hard to speak.

**শ্ৰীফনিভূষন চৌধুৰী, মন্ত্ৰী ঃ** চাৰ, এই house ৰ কিছু পৰম্পৰা আছে, কিছু মান সন্মান আছে। গতিকে তেওঁ যিমানে অভিজ্ঞ নহওঁক কিয়, এনেকুৱা শব্দ প্ৰয়োগ কৰাটো উচিত হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** তেখেতৰ বিষয়ে সকলোৱে জানে নহয়, ময়ো জানো। ঠিক আছে।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** Parliament ত।

**মাননীয় অধ্যক্ষ ঃ** আপুনি আৰু নক'ব। আপোনাক ক'বলৈ দিয়া হোৱা নাই। Please, Sit down, I have taken the concent of the Opposition Leader, You are not above the Leader.

**শ্ৰীমতী অজন্তা নেওঁগ ঃ** অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ কাৰ্য্যপ্ৰণালী আৰু নিয়মাৱলীৰ নিয়ম ৫৬ ৰ অধীনত আমি নিম্ন স্বাক্ষৰকাৰী সদস্য সকলে এটা সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰিবলৈ বিচাৰিছো। প্ৰস্তাৱটো হৈছে অসম বিধান সভাৰ আজিৰ সদনে মতপোষন কৰে যে প্ৰেট্ৰ'ল, ডিজেল আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধিৰ ৰোধ কৰাৰ ক্ষেত্ৰত বৰ্তমান চৰকাৰ সম্পূৰ্ণৰূপে ব্যৰ্থ

হৈছে। গতিকে আজিৰ দিনটোত সকলো সদনৰ কাৰ্য্যসূচী স্থগিত ৰাখি এইবিষয়টো আলোচনা কৰিব লাগে।

**माननीय অধ্যক্ষ ঃ** একে ধৰণৰ আৰু এটা মই কৈ লৈছো, আমাৰ হাফিছ বছিৰ আহমেদেও কৈছে, আমি এটাই লব পাৰো। গতিকে মই Club কৰি দিছো, একেটা কথাই আছে, as it's লাইন কেইটাও একেটা। গতিকে মই Club কৰিছো, সকলোৰে ক'ব। তাৰ আগতে এতিয়া যি সকলে Move কৰিছে, ইয়াৰ Admissbilityৰ ওপৰত মই প্ৰথমে ক'বলৈ কৈছো।

**শ্ৰীমতী অজন্তা নেওঁগ ঃ** বৰ্তমান সময়ত ৰাজ্যখনৰ ৩ কোটি ২৯ লাখ মানুহক চুই যোৱা প্ৰধান বিষয়টো হৈছে মূল্যবৃদ্ধি। গতিকে আমি দেখিছো যে প্ৰেট্ৰ'ল, ডিজেল, ইত্যাদি ৰন্ধন গেছকে ধৰি আমাৰ যিবিলাক ইন্ধন সামগ্ৰী আছে, সেইবিলাকৰ যথেষ্টখিনি মূল্য বৃদ্ধি হৈছে। অত্যাৰশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধি হৈছে আৰু এই গোটেই মূল্য বৃদ্ধিয়ে অসমৰ জনসাধৰণক জুৰুলা কৰিছে। বিশেষকৈ আমি এই মূল্যবৃদ্ধিত দেখিছো যে সৰ্বসাধৰণ ৰাইজ আক্ৰান্ত হৈছে আৰু দিশহাৰা হৈছে। গোটেই বিষয়টোৰে এটা জৰুৰী বিষয় আৰু সেইকাৰণে এই বিষয়টো সভা স্থগিত প্ৰস্তাৱৰ কাৰণে গ্ৰহণযোগ্য। মই ইয়াৰ গ্ৰহণযোগ্যতাৰ ওপৰত ক'ব বিচাৰিছো যে According to the Rules and Procedure and Conduct of Business in Assam Legislative Assembly. ইয়াত Chapter 12 Motion for Adjournment on a matter on public importance. ইয়াত 56 (1) ত কোৱা হৈছে A Motion for an adjournment of the business of the Assembly for the purpose of discussing a definite matter of urgent public importance may be made ইয়াত চাৰ, matter টো definite matter, যিহেতু মূল্য বৃদ্ধিৰ কথা আমি কৈছো, ইয়াত ৫৭ ত Restrictions on power to make motion ত কোৱা হৈছে The right to move the adjournment of the Assembly for the purpose of discussing a definite matter of urgent public importance shall be subject to the following restrictions. চাৰ, ইয়াত ১ নম্বৰতে আছে, not more than one such motion shall be made at the same sitting; গতিকেএটা Session ত আমি এটা বিষয় উত্থাপন কৰিছো। দ্বিতীয়তে চাৰ, not more than one matter can be discussed on the same motion and the motion must be restricted to a specific matter of recent ocurrence; এই গোটেই কথাখিনি recent ocurrence আৰু যিহেতু আমি Specific মূল্য বৃদ্ধিৰ কথা কৈছো। তৃতীয়তে আছে the motion must not revive discussion on a matter which has been discussed in the same session; এই অধিৱেশনত চাৰ এই বিষয়টো আলোচনা হোৱা নাই। চতুৰ্থতে, the motion must not anticipate a matter which has been previously appointed for consideration or with reference to which a notice of motion has been previously given, regaring the probability of the matter anticipated being brought before the House within a reasonable time; ইয়াত চাৰ এই Condition টো পৰিপূৰ্ণ কৰা হৈছে। পঞ্চমতে, the motion must not deal with matter on which a resolution could not be moved; এইটো ইয়াত কৰা হৈছে। ষষ্ঠত আছে, the motion shall not deal with any matter which is

under adjudication by a Court of Law having jurisdiction in any part of India; এইটো ইয়াত সম্পূৰ্ণ হৈছে। সপ্তমতে, the motion shall not raise a question of privilege. অষ্টমত আছে যে, that it must not relate to a matter which is not primarily the concern of the Government of the State. সেই কাৰণে চাৰ আমি Notice properly দিছো। গতিকে ইয়াত The Rules of Procedure And Conduct of Business in Assam Legislative Assembly এইখনৰ মতে ইয়াৰ গোটেই Admisibility আছে। চাৰ Kaul & Shekdar Admisibility ওপৰত ৪টা পইণ্ট দিছে, প্ৰথমতে আছে, Ministerial responsibility. গতিকে এই মূল্যবদ্ধিৰ কথাটো আমাৰ Concurrence list ৰ list 3 SL. No. 34 আছে আৰু এই Concurrence list চাৰ পেট্ৰল আৰু ডিজেল আদি সামগ্ৰীৰ ওপৰত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে excise duty ত দিয়ে। আৰু Other essential commodities বোৰ তেওঁলোকৰ Domain ত পৰে। hance the Ministerial responsiblity on control of price rise is well defined. দ্বিতীয়তে চাৰ, matter must be definite. চাৰ এইটো specifice কথা যে Price rise of petrol and diesel and other essential commodities. হৈছে আৰু এইটো neither in general terms nor cover a great number of cases. তৃতীয়তে, It is viral through electronic, Print and Social Media and also experienced by each in and every citizen in their day to day life and therefore, has a factual basis. Hence the matter is definite. চাৰ factual basis ৰ ওপৰত আমি কৈছো যে, যোৱা সময় চোৱাত আপুনি দেখিবযে যোৱা মাহত পেট্ৰল আৰু ডিজেলৰ দাম কেনে ধৰণে বৃদ্ধি হৈছে, যোৱা মাহৰ ২৩-০৮-২০১৮ তাৰিখত পেট্ৰলৰ দাম আছিল, ৮০.৩৪ পইচা, কিন্তু ২৩-০৯-২০১৮ ত পেট্ৰল দাম বাঢ়ি গৈ হ'ল ৮৫. ৫৪ পইচা। আকৌ ডিজেলৰ দাম চালে দেখিব চাৰ, ২৩-০৮-২০১৮ ত ডিজেলৰ দাম হৈছিলে ৭২. ৬৮ টকা। ২৩-০৯-২০১৮ ত ডিজেলৰ দাম বাঢ়ি গৈ হ'ল ৭৭.৭৯ গতিকে ইয়াত পেট্ৰল আৰু ডিজেলৰ দাম উৰ্দ্ধগামী হৈছে। এইটো অতি স্পষ্টকৈ এতিয়া আমি দেখিছো যে পেট্ৰল আৰু ডিজেলৰ কথা বিশেষকৈ এই কাৰণে কৈছো, ইয়াৰ লগত খাদ্য সামগ্ৰীকে ধৰি গোটেই মূল্য বৃদ্ধিৰ কথাখিনি সামগ্ৰিক ভাৱে জড়িত হৈ আছে। আমাৰ ৰাজ্যখনলৈ যি বিলাক খাদ্য সামগ্ৰী বাহিৰৰ পৰা আহে সেই বিলাক আমাৰ ৰেলগাড়ী আৰু ট্ৰাকেৰে আহে। যদি পেট্ৰল আৰু ডিজেলৰ দাম উৰ্দ্ধগামী হয়, তেতিয়া হ'লে খাদ্য সামগ্ৰীৰ ওপৰত পৰা যথেষ্টখিনি প্ৰভাৱ পৰিব। বাতৰি কাকত চালে আপোনালোকে দেখা পাব, কেইদিন মান আগেত বাতৰি কাকতত প্ৰকাশ হৈছে যে ভাড়া বৃদ্ধি হ'ব। পেট্ৰল আৰু ডিজেলৰ নিয়মীয়া দাম বৃদ্ধি হ'ল ৩ অক্টোবৰৰ পৰা গুৱাহাটীৰ চিটি বাছৰ নুন্যতম ভাড়া হ'ব, ৭.৫০ টকা আৰু লগতে ৫০ শতাংশ বৃদ্ধি পাব যান-বাহনৰ ভাড়া। এতিয়া ৫০ শতাংশকৈ যান-বাহনৰ ভাড়া যদি বৃদ্ধি হয়, গতিকে পেট্ৰল ডিজেলৰ ৰন্ধন গেছ ইন্ধন সামগ্ৰী বিলাকৰ যদি দাম বৃদ্ধি হয়, গোটেই দেশখনতে লগতে আমাৰ ৰাজ্যখনতো জনসাধাৰণ আক্ৰান্ত হ'ব। আজি মূল্য বদ্ধিয়ে এনেকুৱা এটা অৱস্থা পাব চাৰ, যে মূল্য বৃদ্ধিক আমি কণ্ট্ৰোল কৰিব নোৱাৰিম। অধ্যক্ষ মহোদয়, আপোনাক এটা কথা ক'ব বিচাৰিছো, ২০১৪ চনৰ আগত যেতিয়া আন্তঃৰাজ্যিক খাৰুৱা তেলৰ মূল্য বেছি আছিল, কিন্তু সেই সময়ত পেট্ৰল আৰু ডিজেলৰ মূল্যটো Control কৰা হৈছিল। সেই সময়ত UPA

চৰকাৰে পেট্ৰল আৰু ডিজেলৰ দাম বৃদ্ধি কৰিব দিয়া নাছিল। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে Excise duty টো কমাইছিল। কিন্তু এতিয়া অধ্যক্ষ মহোদয়, আমি দেখিছো ১৬ চনৰ পিছত নতুন চৰকাৰ অহাৰ পিছত আন্তজাৰ্তিক খাৰুৱা তেলৰ যিটো মূল্য সেই মূল্য কমিছে। ২০১৪ চনৰ আগত উৰ্দ্ধগামী আছিল আন্তজাতিক মূল্য। এতিয়া নিম্নগামী হৈছে। নিম্নগামী হোৱাৰ পিছতো ৰাজ্য চৰকাৰ বা কেন্দ্ৰীয় চৰকাৰে পেট্ৰল আৰু ডিজেলৰ মূল্যটো কমাব পৰা নাই। এই কাৰণে কমাব পৰা নাই যে Excise duty কমা নাই। কিন্তু কেইদিন মান আগত দেখিলো যে ভাৰতবৰ্ষৰ কেইখন মান ৰাজ্যত Excise duty বিলাক কমাইছে।

সেই কাৰণে তেওঁলোকে Control কৰিব চেষ্টা কৰিছে। আমি দেখিছো যে এই কট্ৰোল কৰাৰ সম্পূৰ্ণ Ministerial responsibility ৰাজ্য চৰকাৰ বিলাকৰ আছে। মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা আপোনাক ক'ব বিচাৰিছো ইয়াত যে former Defence Minister P.Chidambarm on Wednesday protested to his incumbent Nirmala Sitharaman and claimed that Petroleum, prices had not increased because of Central taxes as State collects double amount as the Union Government rates. Former defence Minister tweeted. Here defence Minister Nirmala Sitharaman says that the Centre collected only half the amounts as the State collected as taxes on Petrol and Diesel. She said in her statement that in 2017-2018 Centre collected Rs. 2 laks 84 thousand 4 hundred 44 Crores and the same time States collected Rs. 2 lakhs 8 hundred 8 thousand 90 Crores, which is more. Sitharaman কৈছিলে যে State বিলাকে double collection কৰে আৰু কেন্দ্ৰই আধা collection কৰে। এতিয়া কেন্দ্ৰীয় চৰকাৰে ২০১৪ চনত আগত ৰাইজৰ ওপৰত tax ৰ বোজা জাপি দিব খোজা নাছিল । সেই কাৰণে excise duty টো কমাই দিছিল আৰু ফলত ইয়াৰ দামটো তেওঁলোকে Control কৰিব পাৰিছিল। কিন্তু আজি দেখা গৈছে পেট্ৰল আৰু ডিজেলৰ উৰ্দ্ধগামী দাম হৈছে, সেই দামে গোটেই আমাৰ ৰাজ্যখনৰ জন-সাধৰণৰ বা দেশখনৰ জন-সাধাণৰণক মূৰত tax ৰ বোজা জাপি দিছে। ২০১৪ চনৰ আগত কেন্দ্ৰত চৰকাৰ শাসনলৈ আহিল। যে ভাল দিন আহিব বুলি মানুহে ভাবিছিল এতিয়া আমি দেখিছো ভাল দিন আহিছে নে বেয়া দিন আহিছে আমি সকলোৱে দেখিছো। এতিয়া আমাৰ ২০১৬ চনত পৰিৱৰ্তনৰ নামত চৰকাৰে আজি শাসনৰ গাদীলৈ আহিল, চাৰ এতিয়া পৰিৱৰ্তন মানে কি ? ৰাইজে কি পৰিৱৰ্তন বিচাৰিছে? অসমৰ দৰিদ্ৰলোক সকলে ভাবিছিল, তেওঁলোকে এমুঠি অন্ন ভালকৈ খাব পাৰিব। তেওঁলোকে ভাল বস্ত্ৰ পিন্ধিব পাৰিব আৰু বাসস্থান পাব। অন্ন,বস্ত্ৰ আৰু বাসস্থান দিয়াটো এখন কল্যানকামী চৰকাৰৰ প্ৰধান দায়িত্ব। আজি আমাৰ খাদ্য দাম বাঢ়িছে, বস্ত্ৰৰ দাম বাঢ়িছে, নিৰ্মান সামগ্ৰীৰ দাম বাঢ়িছে। চৰকাৰৰ যিটো Primary duty সেই duty টো আমি পালন কৰিব পৰা নাই। আজি গোটেই দেশতে কিছুদিন আগতে ভাৰতবন্ধ হৈছিলে, ভাৰতৰ মানুহে এটা আলম হে বিচাৰিছিল। চাৰ, এটা অতি দুখৰ কথা, এখন বাতৰি কাকতত পঢ়িবলৈ পাইছিলো যে সাংবাদিকে মূল্যবৃদ্ধি সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী এজনক সুধিছিল - মূল্যবৃদ্ধিয়ে আপোনাক স্পৰ্শ কৰিছে নেকি? পেট্ৰ'ল-ডিজেলৰ দামে আপোনাক চুইছে নেকি? সেই প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰীজনে উত্তৰ দিলে - মোক স্পৰ্শ কৰা নাই , কাৰণ পেট্ৰ'ল-ডিজেল আমি ফ্ৰী পাও। তেওঁ আজি

এই ধৰণ কথা হৈছে, পিছলৈ অৱশ্যে তেখেতে কথাটো উঠাই লৈছে। অধ্যক্ষ মহোদয়, মূল্যবৃদ্ধিয়ে আজি অসমৰ ৬৫ লাখ পৰিয়ালক চুই গৈছে, ৩ কোটি ২৯ লাখ মানুহক চুই গৈছে। এই মূল্যবৃদ্ধি আমি কেনেকৈ ৰোধ কৰিব পাৰো এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে ৰোধ কৰিব পাৰে। অধ্যক্ষ মহোদয় মই আপোনাক অনুৰোধ জনাইছো যে আমি আনিব বিচৰা 'সভাস্থগীত প্ৰস্তাৱ'টো এটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ, এই প্ৰস্তাৱটো গ্ৰহণ কৰিব লাগে আৰু আজি সদনৰ বাকী থকা সকলো কাৰ্য্যসূচী বাদ দি এই বিষয়টো আলোচনা কৰাৰ সুযোগ দিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মাননীয় সদস্য শ্ৰীহাফিজ বছিৰ আহমেদ।

**শ্ৰীৰণজিৎ কুমাৰ দাস ঃ** অধ্যক্ষ মহোদয়, এটা পইন্ট অৱ অৰ্ডাৰ। মাননীয়া বিধায়ক ডাঙৰীয়ানীয়ে যিটো প্ৰস্তাৱ আনিছে মই সেই প্ৰস্তাৱটোৰ বিৰোধিতা কৰা নাই কিন্তু ৰাইজৰ মাজত যাতে এটা ভুল বাৰ্তা নাযায় তাৰ বাবেহে কৈছো। অধ্যক্ষ মহোদয় বাইদেউয়ে নিজেই এটা বাতৰিৰ উদ্ধৃতি দি কৈছে যে - ইন্ধন জাতীয় সামগ্ৰী মূল্যবৃদ্ধি হৈ থাকিব কিন্তু অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি হ'ব পাৰে, ইয়াত হ'ব পাৰে বুলিহে কৈছে। গতিকে ইন্ধন জাতীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ আলোচনা হওঁক বা সভাস্থগীত প্ৰস্তাৱ আনক কিন্তু অত্যাৱশ্যকীয় সমগ্ৰীৰ মূল্যবৃদ্ধি শব্দটো তাৰ পৰা বাদ দিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, ঠিক আছে। এতিয়া মাননীয় সদস্য শ্ৰীহাফিজ বছিৰ আহমেদ।

**শ্ৰীহাফিজ বছিৰ আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমি সভাস্থগীত প্ৰস্তাৱ আনিছো যে "পেট্ৰ'ল, ডিজেলৰ লগতে অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে ৰাজ্যখনৰ জনজীৱনক কোঙা কৰি পেলাইছে আৰু ৰাজ্য চৰকাৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণত শোচনীয় ভাবে ব্যৰ্থ হৈছে।" অধ্যক্ষ মহোদয় গণতান্ত্ৰিক পদ্ধতিত আমাক এটা সুযোগ দিয়া হৈছে যে গুৰুত্বপূৰ্ণ কোনো বিষয় আলোচনাৰ বাবে আমি এই নিয়ম ব্যৱহাৰ কৰিব পাৰো। আজি এই বিষয়টো এই কাৰণে উত্থাপন কৰিব লগা হৈছে যে যোৱা কেইটামান বছৰ ধৰি যি ধৰণে অত্যাৱশ্যকীয় বয়-বস্তুৰ মূল্যবৃদ্ধি হৈছে আৰু সম্প্ৰতি যি ধৰণে এই বৃদ্ধিৰ ধাৰাবাহিকতা আছে আগন্তুক দিনত 'অচ্ছে দিন' যে আহিব সেইটো আমি কেতিয়াও আশা কৰিব নোৱাৰো। মই উদাহৰণ হিচাবে তুলি ধৰিব বিচাৰিছো যে অসমতে Comparative statement ত দেখুৱা Retail price of essential commodities from January 2016 and January 2018 যোৱা ২০১৬ৰ পৰা ২০১৮ চনৰ ভিতৰত আমি যদি চাওঁ পিয়াজৰ কিলো ২০১৬ চনত ২৫-৩০ টকা আছিল আৰু এইটো ২০১৮ চনত ৪৪-৪৮ টকা হৈছে, চাউল কিলো ২০১৬ চনত ৩০-৫২ টকা আছিল আৰু এইটো ২০১৮ চনত ৪০-৭৪ টকা হৈছে ঠিক সেইধৰণে আটাৰ দাম কিলো ২০১৬ চনত ২৫-২৬ টকা আছিল আৰু এইটো ২০১৮ চনত ২৭-৩০ টকা হৈছে, বনস্পতি গৈ ২০১৬ চনত ৬৫-৯৮ টকা আছিল আৰু এইটো ২০১৮ চনত ৭৫-১০০ টকা হৈছে, গুৰ ২০১৬ চনত ৩৬-৩৭ টকা আছিল আৰু এইটো ২০১৮ চনত ৪৫-৫০ টকা হৈছে, চেনীৰ কিলো ২০১৬ চনত ৩৫-৩৭ টকা আছিল আৰু এইটো ২০১৮ চনত ৪২-৪৫ টকা হৈছে। অধ্যক্ষ মহোদয় আজি আমি উত্থাপন কৰা বিষয়টো যিহেতু অসম তথা আমাৰ দেশৰ প্ৰতিজন মানুহকে চুইছে আৰু প্ৰতিজন মানুহকে স্পৰ্শ কৰিছে গতিকে এই বিষয়টোৰ গুৰুত্ব আমি উপলব্ধি কৰি আজিৰ সদনৰ সকলো কাৰ্য্যসূচী বন্ধ কৰি বিষয়টো আলোচনা কৰাৰ বাবে প্ৰস্তাৱ আনিছো। এই ক্ষেত্ৰত Kaul & Shakder ৰ যিখন Rules Book আছে "Practice of the Procedure of Parliament" ইয়াত স্পষ্টভাবে উল্লেখ কৰা হৈছে Admissibility ওপৰত Ministerial Responsibility, generally

speaking the subject matter of an adjournment Motion must have direct or Indirect relation to the conduct or default on the part of the Government of India and must be in the nature of the criticism of the action of the Government of India, earlier for having done some action or for having omitted to do some action, which was urgently necessary at the moment. আমি দেখিছো এই ক্ষেত্ৰত ৰাইজে নিৰ্বাচিত কৰি দিয়া চৰকাৰ কেন্দ্ৰতেই হওঁক বা ৰাজ্যতে হওঁক, চৰকাৰৰ এইটো মূল দায়িত্ব আছে যে যাতে সাধাৰণ মানুহে চৰকাৰৰ পলিচিৰ বাবে সমস্যাত ভুগিব লগীয়া নহয়। আমি আজি দেখিছো যে চৰকাৰৰ কিছুমান প'লিছিৰ কাৰণে বহু বস্তুৰ দাম বৃদ্ধি হৈছে। চৰকাৰে চাব্‌চিডি দি হলেও কিছুমান বস্তুৰ দাম কমাই দিব পাৰে। আজি পেট্ৰ'লৰ কথা আহিছে West Bengal ত ৰাজ্য চৰকাৰে টেক্সটো অলপ কমাই দিলে, ঠিক তদ্ৰুপ কিছু পদক্ষেপ আমি ল'ব পাৰিলো হেঁতেন। কিন্তু দেখিছো আমাৰ চৰকাৰখনে তেনে ধৰণৰ কোনো পদক্ষেপ গ্ৰহণ কৰা নাই বা পৰিলক্ষিত হোৱা নাই। অধ্যক্ষ মহোদয়, প্ৰস্তাৱটো গ্ৰহণ কৰাৰ বাবে যিকেইটা চৰ্ত্ত আছে সেই চৰ্ত্ত কেইটা আমি বিদ্যমান বা দেখিবলৈ পাইছো। এটা হ'ল Relating to a single specific matter এটা বিশেষ, একেটা বিষয়বস্তুৰ ওপৰত হ'ব লাগিব। আমি যি প্ৰস্তাৱ আনিছো সেই প্ৰস্তাৱটো লক্ষ্য কৰিলে আমি দেখিম - যে এই বিষয়টো অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত, not only petrol & diesel এটা বিষয়বস্তু সম্পৰ্কে কোৱা হৈছে। দ্বিতীয়তে কোৱা হৈছে - North East caused in general terms nor cover a great number of causes. ব্যাপক ধৰণৰ কিছুমান বিষয়বস্তু আমাৰ প্ৰস্তাৱটোৱে সামৰি লোৱা নাই। বৰং এটা বিশেষ বিষয়বস্তুকে আমি সামৰি এই প্ৰস্তাৱটো আনিছো। যিহেতু ইয়াত অত্যাৱশকীয় Essential commodities ৰ মূল্যবৃদ্ধিৰ ওপৰতে আমি আলোচনাটো সীমিত ৰাখিব বিচৰা হৈছে। তাৰ পিছত কোৱা হৈছে have a factual basis ইয়াৰ এটা বাস্তৱ ভিত্তি থাকিব লাগিব। মূল্যবৃদ্ধিৰ যিটো কথা ইয়াত আৰু factual profe হয়তো আমি প্ৰতি পদক্ষেপতে দেখিবলৈ পাইছো। অধ্যক্ষ মহোদয় মই এই ক্ষেত্ৰত দুটামান উদাহৰণ ক'ব বিচাৰিছো- last 5 years , price of aid , essential commodities have gone up by nearly 72% যোৱা পাঁচ বছৰতে essential commodities 1955 ৰুল মতে আঠটা অত্যাৱশকীয় সামগ্ৰী সামৰি লয়। সেই আঠটা বস্তুৰ দাম ৭২ শতাংশলৈ বৃদ্ধি হৈছে। around the contrary the per capital income have done up by 38%. ৩৮ শতাংশ আমাৰ আয় বৃদ্ধি হ'ল আৰু ৭২ শতাংশ মূল্য বৃদ্ধি হ'ল গতিকে মানুহে ক'ত কেনেকৈ চলিব। মানুহ কেনেকৈ জীয়াই থাকিব।

**হাফিজ বছিৰ আহমেদ, বিধায়ক ঃ** আমি বিশেষ বিষয় বস্তু এটা সামৰি লৈ এই প্ৰস্তাৱটো আনিছো, যিহেতু ইয়াত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ ওপৰতে এই আলোচনাটো সীমিত ৰাখিব বিচৰা হৈছে। The matter have a factual basis. ইয়াত মূল্যবৃদ্ধিৰ যিটো কথা আছে তাৰ factual proof আমি প্ৰতি পদক্ষেপতে দেখিবলৈ পাইছো। অধ্যক্ষ মহোদয়, মই এই ক্ষেত্ৰত দুটামান উদাহৰণ factual basis ৰ দিবলৈ বিচাৰিছো যে In Last 5(five) years the price of 8(eight) essential commodities have gone-up nearly by 72% percent according to the Rule of 1955 and on the contrary, the per-capita income have gone-up by 38 %. Here it is clear that the per-

capita income grows only 38% whereas the price of the essential commodities increased up to 72%. যদি আয় 38% হয় আৰু মূল্যবৃদ্ধি 72%. হয়, তেনেক্ষেত্ৰত মানুহ কেনেকৈ জীয়াই থাকিব? গতিকে এইটো এটা অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়।

মাননীয় অধ্যক্ষ মহোদয়, আমি আৰু কিছুমান নিত্য প্ৰয়োজনীয় সামগ্ৰী যদি লক্ষ্য কৰো তেতিয়া দেখা যায় যে - the price of essential commodities like spices, fish, egg, meat, milk, pulses etc. have increases day by day. এই বস্তু বিলাকৰ ক্ষেত্ৰত 158%ৰ পৰা 78%, 74%, 73%, 70%, 66%, 63%, 59% লৈকে মূল্য বৃদ্ধি হোৱা দেখা গৈছে। মই details ত কব যোৱা নাই, essential commodities ৰ যিখিনি আইনে চিহ্নিত কৰিছে, সেই special commodity খিনি যদি আমি লক্ষ্য কৰো তাত দেখা যায় যোৱা 5 টা বছৰত 172% ৰ পৰা আৰম্ভ কৰি 58%, 65% , 66% লৈকে মূল্য বৃদ্ধি হৈছে। সেই বাবে এই স্পৰ্শকাতৰ বিষয়বস্তুটো উপলব্ধি কৰি আমি এই প্ৰস্তাৱটো আনিছো। এইটো যে এটা urgent matter দুনাই ক'বলগীয়া নাই বুলি মই ভাবো। যিহেতু মানুহৰ ৰাতিপুৱা, দুপৰীয়া আৰু ৰাতি খোৱাৰ প্ৰয়োজন আছে । আমি প্ৰত্যেকেই ব্যক্তিগত ভাৱে এই কথাটো উপলব্ধি কৰা উচিত। অধ্যক্ষ মহোদয় ইয়াত আৰু কিছুমান কথা কোৱা হৈছে যে matter must be of a pubic importance য'ত জনসাধাৰণৰ স্বাৰ্থ জড়িত হৈ আছে। এইটো একশ্ৰেণীৰ কিছু মানুহৰ বাদে প্ৰায় 95% সাধাৰণ মানুহৰ লগত জড়িত আৰু General Public ইয়াৰ দ্বাৰা বহু পৰিমাণে affected হৈছে। গতিকে এই বিষয়বস্তুটো যে Public Related হয় সেই ক্ষেত্ৰত কোনো সন্দেহ নাই।

অধ্যক্ষ মহোদয়, আৰু এটা condition দিয়া হৈছে, ইতিমধ্যে আমাৰ মাননীয় আধ্যক্ষ মহোদয়ে কৈছে যে not more than one such motion shall be made at the same sitting. আমাৰ দুটা Motion আছিল, যিহেতুকে বিষয়বস্তু একেটায়ে হয় সেই কাৰণে Club কৰি এটা কৰি দিয়া হৈছে, গতিকে acceptability ৰ ওপৰতো এই matter টোৰে কোনো ধৰণৰ বাধাৰ সৃষ্টি নকৰে। ইয়াৰ পিছত আকৌ কোৱা হৈছে - not more than one matter can be discussed on the same Motion. গতিকে এইটোও স্পষ্ট হৈ আছে যে এটাই subject matter ৰ ওপৰত আলোচনা বিচৰা হৈছে। The Motion should be restricted to a specific matter of recent occurence. আমাৰ প্ৰস্তাৱটোও বৰ্তমান পৰিস্থিতিৰ সন্দৰ্ভতে দিয়া হৈছে।

অধ্যক্ষ মহোদয়, আমি দেখিছো Petrol, Diesel ৰ মূল্যবৃদ্ধিয়ে প্ৰতিজন মানুহক চুই যাব, প্ৰতিজন মানুহৰ ওপৰতে ইয়াৰ affect হব আৰু transportation ৰ ওপৰতো ইয়াৰ এটা বহুল প্ৰভাৱ পৰে। আচৰিত কথা যে এতিয়া প্ৰত্যেক দিনে Petrol, Diesel ৰ মূল্যবৃদ্ধি হয়। ইয়াত এটা Statement 14th Sepatember ৰ পৰা দেখুৱা হৈছে। Sepatember 14th ত 0.40 পইচা, Sepatember 15th ত 0.29 পইচা, Sepatember 16th ত 0.36 পইচা, Sepatember 17th ত 0.06 পইচা, Sepatember 18th ত 0.17 পইচা, Sepatember 19th ত 0.08 পইচা আৰু Sepatember 21st ত 0.09 পইছা, Sepatember Sepatember 21st ত 0.09 পইচা, 22nd ত 0.19 পইচাকৈ বাঢ়ি আছে আৰু এই ধাৰাবাহিকতা এতিয়ালৈকে চলি আছে। এই ইন্ধনৰ মূল্যবৃদ্ধিৰ প্ৰভাৱ পোনপটীয়াকৈ transportation ৰ ওপৰত পৰিব। 50% বাছ ভাড়া বৃদ্ধিৰ কথা ইতিমধ্যে উঠিছেই। যোৱা

ৰাতি এজন সাংবাদিকে মোক ফোন কৰিছিল। তেখেতে কৈছে যে তেওঁলোকৰ পেপাৰ বন্ধ কৰিবলগীয়া অৱস্থাৰ সৃষ্টি হৈছে, কিয়নো পেপাৰ বিতৰণৰ বাবদ আগতে যত মাহত 5000/- ( পাচ হাজাৰ) টকা দিবলগীয়া হৈছিল, এতিয়া তেওঁলোকে 10,000 টকা বিচাৰিছে অন্যথা তেওঁলোকে পেপাৰ সংগ্ৰহ আৰু বিতৰণ কৰিব নোৱাৰিব। ইয়াৰ পৰা দেখা গৈছে যে মূল্যবৃদ্ধিয়ে মানুহৰ খাদ্য-দ্ৰব্যৰ উপৰিও অন্যান্য অত্যাৱশ্যকীয় ব্যৱস্থা, ঔদ্যোগীক উৎপাদিত দ্ৰব্যৰ লগতে সাধাৰণ জনতাৰ আয় বা উপাৰ্জনৰ ক্ষেত্ৰতো বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছে।

অধ্যক্ষ মহোদয়, The motion should not raise a question of privilege. এই বিষয়টোৰ Privilege motion ৰ লগত কোনো সম্পৰ্ক নাই। The motion should not revived, on a matter which has been discussed in the same Session. এই বিষয়টো এতিয়ালৈকে Session ত কোনো ধৰণৰ আলোচনা হোৱা নাই। গতিকে বিষয়টোৰ condition নিশ্চয় ইয়াত fulfillহৈ আছে। অধ্যক্ষ মহোদয়, The Motion should not anticipate a matter which has been previously appointed for consideration. এতিয়ালৈকে এনেকুৱা ধৰণৰ ঘটনাও ঘটা নাই। অধ্যক্ষ মহোদয়, The Practice and Proceedure of Parliament ৰ আধাৰত Adjournment Motion গ্ৰহণযোগ্য হোৱাৰ কাৰণে যিখিনি condition আছে, আমি যিটো প্ৰস্তাৱ আনিছো ইয়াত সকলোখিনি condition fulfill হৈ আছে আৰু ই কোনো ধৰণৰ condition ৰ বিৰুদ্ধে যোৱা নাই। গতিকে মই আশা ৰাখো এই বিষয়টোৰ ওপৰত গুৰুত্বৰ দি, mass people ৰ লগত সম্পৰ্কীত, সাধাৰণ মানুহৰ interest ৰ প্ৰতি লক্ষ্য ৰাখি বিষয়টো আলোচনা কৰাৰ সুবিধা দিব বুলি আশা ৰাখি বিষয়টো উত্থাপন কৰাৰ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাই মোৰ বক্তব্য শেষ কৰিলো।

**অধ্যক্ষ মহোদয় ঃ** ধন্যবাদ। এতিয়া বিৰোধী দলপতি দেৱব্ৰত শইকীয়া ।

**শ্ৰীদেৱব্ৰত শইকীয়া, বিৰোধী দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সভা স্থগিত প্ৰস্তাৱটোৰ Admissibility ৰ ওপৰত দুআষাৰ কবলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। যোৱা দুদিন মানৰ পৰা গুৱাহাটীৰ বাছ মালিক সন্থাই এটা কথা কৈছে যে Petrol, Diesel ৰ মূল্যবৃদ্ধি হোৱাৰ বাবে যাত্ৰীৰ ভাড়া বৃদ্ধি হব 50% শতাংশ। আমাৰ মাননীয় পৰিবহন মন্ত্ৰী ডাঙৰীয়াই এই কথা সমৰ্থন কৰি কৈছে যে - বাছ ভাড়া বৃদ্ধি হবই, কিন্তু বৃদ্ধি হ'ব বুলি তেখেতে নিৰ্দিষ্টকৈ কোৱা নাই। যদিহে Petrol, Diesal ৰ মূল্যবৃদ্ধি হয়, অকল যাত্ৰীবাহী বাছৰহে ভাড়া বৃদ্ধি হব এনে কথা নহয়, পৰিবহণ মালগাড়ীৰ ভাড়াও নিশ্চয়কৈ বৃদ্ধি হ'ব। ইয়াৰ ফলত যোৱা সময়চোৱাত যেনে ধৰণে মূল্যবৃদ্ধি হৈ আছে, যিটো মূল্যবৃদ্ধিৰ কথা শাসকীয় পক্ষইও স্বীকাৰ কৰে। আজি কিছু দিনৰ আগত গুৱাহাটীত 5th Sepatember ৰ দিনা B.J.P. ৰ মহিলা মৰ্চাৰ ৰাষ্ট্ৰীয় সভানেত্ৰী ডাঙৰীয়ানী আহিছিল, তেখেতে এটা গুৰুত্বপূৰ্ণ কথা কৈছিল যে Petrol, Diesel তথা ৰন্ধন গেছৰ বিষয়তকৈও গুৰুত্বপূৰ্ণ বিষয়সমুহত গুৰুত্ব প্ৰদান কৰি চৰকাৰে সামগ্ৰীক বিকাশৰ কাম কৰিছে। উজ্বালা, মুদ্ৰা আদি যোজনাৰ দৰে বিভিন্ন আঁচনি ৰূপায়ণ কৰি সমাজৰ সকলো শ্ৰেণীৰ কল্যাণৰ হকে কাম কৰিছে।

অধ্যক্ষ মহোদয়, যি উজ্বালা মুদ্ৰা যোজনাৰ কথা কৈছে, সেইমতে 5.00 কোটিৰ ঘৰত গেছৰ সংযোগ দিয়া হৈছে । কিন্তু এটা চৰকাৰী Survey ত ওলাইছে যে হিতাধিকাৰী সকলে দ্বিতীয় বাৰৰ বাবে L.P.G. cylinder লব পৰা নাই। কিয়নো 2014 চনত L.P.G.

cylinder ৰৰ দাম 400/- টকা আছিল আৰু বৰ্তমান 800/- টকালৈ বৃদ্ধি পাইছে। ঠিক তেনেকৈ মুদ্ৰা যোজনাৰ ক্ষেত্ৰতো কোনো gurantee নোহোৱাকৈ যুৱক সকলক ঋণ দিয়াৰ কথা আছিল আৰু ইয়াৰ বাবে তিনিটা Slab আছিল। কিন্তু এতিয়া তথ্যত আছে (যোৱা চাৰি বছৰৰ পিচত) আনুপাতিক ভাবে average মাত্ৰ 22,000/- টকাহে প্ৰতিজন যুৱকক দিব পৰা গৈছে, গতিকে এই দুখন আঁচনি সফল বুলি কব নোৱাৰি । সেইগতিকে তেখেত সকলে মূল্যবৃদ্ধিৰ কথাটোত গুৰুত্ব দিব বিচৰা নাই। প্ৰকৃততে এইটো এটা যথেষ্ট গুৰুত্বপূৰ্ণ বিষয়। আজি কেইদিনমান আগত All India Motor Transport ৰ যিটো সন্থা, যাৰ অধীনত ৯৬ লাখ ট্ৰাক চলে, তেখেত সকলে ৮ দিনৰ বাবে চকা বন্ধ কৰিছিল আৰু ৮ দিনৰ পিছত Ministry of Road Transport এ তেখেতসকলৰ লগত এখন চুক্তি কৰিছিল যে - Petrol, Diesal ৰ মূল্যবৃদ্ধি কমাব আৰু সেয়া G.S.T. ৰ আওতালৈ আনিব। কিন্তু আজি দুমাহৰ পিছতো এই ক্ষেত্ৰত কোনো পদক্ষেপ লোৱা নাই। Petrol, Diesel ৰ মূল্য বৃদ্ধি হৈ গৈ আছে আৰু ইয়াৰ বোজা আমাৰ দেশৰ নাগৰিক সকলে বহন কৰিবলগীয়া হৈছে। কিন্তু ভাৰতে যিসমূহ ৰাষ্ট্ৰলৈ ৰপ্তানি কৰে, সেই সমূহত Petrol, Diesel কম মূল্যত দি থকা হৈছে।¯ গতিকে এই ক্ষেত্ৰত চৰকাৰৰ যথেষ্ট কৰণীয় আছে বুলি আমি অনুভৱ কৰো। কাৰণ ২০১৪ চনত এক্সাইজ ডি উটি আছিল ৯.২ টকা বৰ্তমান ১৯.৫০ টকা কৰা হৈছে পেট্ৰলৰ ক্ষেত্ৰত। ২১১ শতাংশ বৃদ্ধি হৈছে যোৱা চাৰিবছৰত। ঠিক তেনেকৈ ডিজেলৰ ক্ষেত্ৰত এক্সাইজ ডিউটি বৰ্তমান ৪৪৩ শতাংশ বৃদ্ধি কৰা হৈছে। ২০১৪ চনত আছিল ৩.৪৬ টকা আৰু বৰ্তমান প্ৰতি লিটাৰত ১৫.৩৩ টকা আৰু এক্সাইজ ডিউটি যোৱা সময়চোৱাত ১২ বাৰ বৃদ্ধি কৰা হৈছে। ঠিক তেনেকৈ ষ্টেটৰ যি টেক্স থাকে তাৰে ৮৫ শতাংশ বৃদ্ধি কৰা হৈছে আৰু এই ক্ষেত্ৰত reduce কৰিবলৈ যিখিনি প্ৰয়োজন সেইখিনি কৰিব পৰা যায়। ইতিমধ্যে অন্য কেইখন মান ৰাজ্য অন্ধ্ৰপ্ৰদেশ, পশ্চিমবংগ ইত্যাদিয়ে ষ্টেট টেক্স কমাই পেলাই সকাহ দিয়া আমি দেখিবলৈ পাইছো। ঠিক তেনেদৰে মূল্যবৃদ্ধিৰ ফলত পৰিয়ালৰ যি সঞ্চয় ক্ষমতা থাকে এই সঞ্চয় ক্ষমতাও চৰকাৰী তথ্য অনুযায়ী ২০১৪ চনৰ ২৩ শতাংশৰ পৰা বৰ্তমান ১২ শতাংশলৈ হ্ৰাস পাইছে। আজি wholesale যি infesion ২০১৮ চনৰ জুন মাহত ৫.৭৭ শতাংশ হৈছে আৰু ই ২০১৩ চনৰ পৰা সৰ্ব্বৰৃহৎ হৈছে। এই গোটেই যিখিনি সমস্যা হৈছে, এই সমস্যাখিনি সমাধান কৰিবৰ বাবে চৰকাৰে ইচ্ছা কৰিলে পাৰে। গতিকে এই মেটাৰটো আমি Koul and Shakdher আৰু আমাৰ অসমৰ যি Rules and procedure and conduct of Bussiness in the Assam Legislative Assembly ৰ ৫৬ নং ৰুল অনুসৰি এই কথাখিনি ডেফিনেট আৰু ইয়াত যি নিৰ্দিষ্ট তথ্য থাকিব লাগে এই তথ্য আমি দিছো। প্ৰতিদিনৰ এই বৃদ্ধিয়ে আমাৰ সাধাৰণ লোকক যথেষ্ট ক্ষতি কৰে। গতিকে এইটো বহুত জৰুৰী আৰু প্ৰত্যেক দিনেই যিহেতু বাঢ়ি আছে , এদিন কমিলে সপ্তাহৰ ৬ দিনেই বৃদ্ধি হৈ থাকে। এই ক্ষেত্ৰত নিশ্চয় আলোচনা কৰিব লগীয়া আছে। যিহেতু এটা মাত্ৰ মোশ্যন অনা হৈছে দুটা পক্ষৰ ক্লাব কৰি ইয়াত এটা মেটাৰ কৰিছে। গতিকে resolution লৈ যদি চৰকাৰে হস্তক্ষেপ কৰিব বিচাৰে নিশ্চয় আমাৰ অসমত অত্যাৱশ্যকীয় সামগ্ৰী পেট্ৰল, ডিজেলৰ মূল্য কমাব পৰা যায়। এই ক্ষেত্ৰত যোৱা সময়ত চৰকাৰে কিছু মাৰ্কেট ইণ্টাৰভেনশ্যনৰ কথা কৈছিল, সেই বিলাকো এতিয়ালৈকে কেনেধৰণে আছে, Food and Supply Corporation ৰ কথা আছিল। এই গোটেই কথাবিলাক যদি আলোচনা কৰা যায় তেতিয়া হ'লে নিশ্চয় কিছু পদক্ষেপ ল'ব পৰা যাব। গতিকে আমাৰ যি সভা স্থগিত প্ৰস্তাৱ, এই প্ৰস্তাৱটো গ্ৰহণ কৰি আলোচনাৰ যোগেদি যাতে এটা সমাধান উলিয়াব পৰা যায় তাৰ বাবে

আপুনি সুযোগ দিব বুলি মই অনুৰোধ কৰিলো। ধন্যবাদ।

**Speaker :** Minister, Parliamentary Affairs.

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ পৰা Rules and procedure and conduct of Bussiness in the Assam Legislative Assembly ৰুল ৫৬ ৰ অধীনত তেখেত সকলে এটা সভা স্থগিত প্ৰস্তাৱ আনিছে। অধ্যক্ষ মহোদয় আপুনি সভা স্থগিত প্ৰস্তাৱটো ফিজিবিলিটিৰ ওপৰত ক'ব দিছিল। অধ্যক্ষ মহোদয় , Rules and procedure and conduct of Bussiness in Assam Legislative Assembly ত ৰুল ৫৬ ৰ অধীনত কোৱা কথাখিনি definite and urgent. সেইটো আমি নমনাকৈ থকা নাই। এইটোৱে যে অসমৰ সকলো মানুহকে চুই গৈছে আমি মানিছো। এইটো এটা continuous process হৈ আছে। আমাৰ এ আই ইউ ডি এফৰ নেতা কাছিমি চাহাবে যোৱা পাঁচ বছৰৰ তথ্য এটা দাঙি ধৰিছে আৰু মূল্যবৃদ্ধি হোৱাৰ কাৰণ এইটোৱে যে আমাৰ অজন্তা নেওঁগ ডাঙৰীয়াণীয়ে কৈছে যে ক্ৰুডৰ দাম কমিছে। আচঁলতে ক্ৰুডৰ দাম কমা নাই। পেট্ৰল, ডিজেলৰ দাম যে বৃদ্ধি হয় সেই কাৰণে ক্ৰুডৰ দাম কমা যেন লাগে। মাননীয় অধ্যক্ষ মহোদয়, OPEC Country সমূহৰ এটা MOPEC বুলি organization আছে আৰু Internationaly যেতিয়া ক্ৰুডৰ price টো বাঢ়ি যায় তেতিয়া manufacturing cost টো বাঢ়ি যায়। এইটো ডিচাইড কৰে International Body য়ে। এইটো অসম বা ভাৰত চৰকাৰে ডিচাইড নকৰে। গতিকে এইটো OPEC Country সমূহৰ MOPEC organization এ নিৰ্ণয় কৰে। আমাৰ adjournment motion, Kaul and Shakdher অজন্তা বাইদেউ আৰু কাছিমি চাহাবে কৈছে। Kaul and Shakdher ৰ Practice and Procedure of Parliament ৰ page no. 572 ত কৈছে, "In determining whether a discussion is out of order on the ground of anticipation, the Speaker shall have regard to the probability of the matter anticipated to be brought before the House with in a reasonable time. Explaining the purpose of this provision, Speaker Mavalankar observed :

The point is that if Hon'ble Members have a fairly good chance of raising the question on a debate, it will not be permitted as an adjournment motion. The adjournment motion is a device to bring something before the House which is not included in the agenda or Order Paper. It is something like taking up a new matter which is not intended to be taken up and of which all members had no notice whatever. So in the interest of all, it has been the practice to allow adjournment motion as a matter of exception where the matter is really urgent and there is no other opportunity or chance for the House to consider the matter". অধ্যক্ষ মহোদয় ইয়াতে এই কথাটো কৈছে যে আপুনি এই adjournment motion টো দিব পাৰে। যদি ইয়াৰে কোনো ডিভাইচ এইটোৰ ওপৰত আলোচনা কৰাৰ কাৰণে নাথাকে। অধ্যক্ষ মহোদয়,আমি যদি এইটো interpret কৰো, interpret কৰিলে এক্সচেপশ্যন হিচাবে এইটো দিব পাৰে। এক্সচেপশ্যন হিচাবে এইটো দিব পাৰে যদিহে অন্য ডিভাইচ

নাথাকে। আমাৰ এই চলিত অধিৱেশনত supplimentary demand আহিব। আপুনি বি এচ চি মিটিং পাতিব। supplimentary demand আহিলে তাতে কাটমোশ্যণ হ'ব। কাটমোশ্যণ হ'লে আমাৰ তাত ডিভাইচ আছে। কাটমোশ্যণত এইখিনি কথা বিৰোধী পক্ষই যদি কয় যে ফুড এণ্ড চিভিল চাপ্লাইত কাটমোশ্যণ আনিব। আনিব পাৰিব। তাত আলোচনাৰ কাৰণে ডিভাইচ এটা আছে । গতিকে এইটো এক্সচেপশ্যনেল কেচ নহয় কেতিয়াও। দ্বিতীয় কথা হ'ল অধ্যক্ষ মহোদয়, আমাৰ Kaul and Shakdher ৰ Practice and Procedure of Parliament ৰ page no. 567 ত কৈছে, A matter is "urgent" only if it is of very recent occurrence and must be raised at the first available opportunity. Matters arising during the period when the House is not in Session should be raised on the first day the House meets. A matter which has been continuing for some time cannot be raised through an adjournment motion. A matter even of very recent occurrence is not "urgent" if an opportunity for its discussion will arise in the ordinary course of business within a reasonably short time. গতিকে অধ্যক্ষ ডাঙৰীয়া এই ১০ দিনৰ ভিতৰত reasonably short time এটা আছে। এইটো discuss the matter in the device. তাৰপিছত para 3 ত কৈছে "Similarly a matter which can be raised under any other procedural device, viz. calling attention notices, questions, short notice questions, half-an-hour discussions, short duration discussions etc. cannot be raised through an adjournment motion." গতিকে এই কথাখিনি clearly Kaul and Shakdher ৰ Practice and Procedure of Parliament ৰ page no. 567 ত কৈছে। আকৌ page no. 572 ত কৈছে "In determining whether a discussion is out of order on the ground of anticipation, the Speaker On the ground of the anticipation of the Speaker. নাগালেণ্ডৰ মাননীয় অধ্যক্ষই obsereve কৰিছে আৰু কৈছে যে Point is that the member should have fairly good chance of raising the question on debate. গতিকে এই কথাখিনি Kaul and Shakdher ত clearly কৈছে যে এজন সদস্যৰ অন্য এটা ডিভাইচত এই কথাখিনি ডিবেটত পাৰ্টিচিপেট কৰাৰ স্কোপ আছে নে নাই। গতিকে যিহেতু আমাৰ Supplementary Demand, BAC ত হ'ব। যদি বিৰোধী দলৰ সদস্য সকলে কয় যে আমি Food and Civil Supply cut motion ত লওঁ আৰু তাত আমি আলোচনা কৰিম বা যদি আমি ইয়াৰ ওপৰত Half an hour বা Special Motion আনিব পাৰো। Therefore there are lots of devices to discuss on these issues. যদি এইটো যোৱা মাহৰ পৰা বা যোৱা চাৰি মাহৰ পৰা হোৱা হ'লে এইটো হ'লহেঁতেন। আমাৰ বিৰোধী পক্ষৰ মাননীয় হাফিচ বছিৰ চাহাবে কৈছে যে যোৱা পাঁচ বছৰৰ পৰা মূল্য বৃদ্ধি হৈ আছে। এই মূল্য বৃদ্ধিটো Continously হৈ আছে কাৰণ আমাৰ অজন্তা নেওঁগ বাইদেউৱে কৈছে যে Crude ৰ দাম কমিছে। সেয়েহে তেলৰ দাম কমিব লাগে। কিন্তু মোৰ হাতত তথ্য আছে যে Crude ৰ দাম কমিলেও কেতিয়াও পেট্ৰ'ল, ডিজেলৰ মূল্য নকমে । কিন্তু Crude ৰ দাম দাম বাঢ়িলে পেট্ৰ'ল, ডিজেলৰ মূল্য বাঢ়ে। গতিকে অধ্যক্ষ মহোদয়, মই ভাৱো

যে Other device are ther to bring this matter. মানে Question Hour তো আনিব পাৰে। Half an hour discussion আনিব পাৰে। গতিকে আমাৰ Other device আছে আৰু এইটো আপোনাৰ full jurisdiction ত আছে। গতিকে আপুনি ৰুল ৫০ আনিও অনুমতি দিব পাৰে as per the Rules of Procedure and Conduct of Business of Assam Legislative Assembly. Special Motion আনিও আপুনি অনুমতি দিব পাৰে। আপোনাৰ সকলো ক্ষেত্ৰতে full jurisdiction আছে। গতিকে মাননীয় অধ্যক্ষ মহোদয় মই ভাৱো যে সদনৰ বাকী কাম-কাজ বাদ দি এই বিষয়টো আলোচনা কৰিবৰ কাৰণে Adjournment Motion আনিব নালাগে। যিহেতু অন্য Device ইয়াত আছে। Kaul and shakdher ত এই কথাখিনি স্পষ্টভাৱে কৈছে যে অন্য Device থাকিলে এইটো Adjournment Motion হ'ব নোৱাৰে আৰু Kaul and shakdher মতে Parliament চলে। তাৰে আধাৰতে আমাৰ Rules of Procedure and Conduct of Business তৈয়াৰ কৰা হৈছে। সেয়েহে মই ভাৱো যে Adjournment Motion ৰ কোনো যুক্তি নাই। গতিকে মই এই কথাটো চৰকাৰৰ ফালৰ পৰা জনাইছো।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু মূল্য বৃদ্ধি বিষয়টো অতি জটিল বিষয় আৰু এই বিষয়টোৱে সকলোকে চুই গৈছে, বিশেষকৈ মধ্য বিত্ত আৰু নিম্ন মধ্য বিত্ত লোক সকলক। গতিকে সভা স্থগন বা অন্য কাৰ্য্যসূচী ৰাখিও আজি বা অন্য কোনো এদিন দিব পাৰে। তেতিয়া আমি ভাৱিম যে চৰকাৰে এই সমস্যাটোৰ বিষয়ে চিন্তা কৰিছে।

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধীদলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই যিখিনি কথা ক'লে যে এইটো Occurrence নহয়, যিটো মে' ২০১৪ চনত ১০৭ ডলাৰ আছিল, কিন্তু Recent Occurrence ত এতিয়া চেপ্তেম্বৰ মাহত US Dollar per barrel ত ৭৩ হৈছে। সেইকাৰণে তেওঁ যিটো Recent Occurrence ৰ কথা কৈছে, সেইটো খাপ নাখায়। ঠিক তেনেকৈ ১১ লাখ কোটি টকা টেক্স কালেকশ্যন হৈছে সেইটো Subsidise কৰিব পাৰে। এই ক্ষেত্ৰত আলোচনা কৰাৰ প্ৰয়োজন আছে। Resolution ল'ব পৰা যায়। সেয়েহে এই ক্ষেত্ৰত আলোচনা কৰাৰ সুবিধা দিবৰ বাবে অনুৰোধ কৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ভাৰতীয় অৰ্থনীতিৰ ওপৰত সৱিশেষ আলোচনা কৰিব খোজা নাই। Recent Occurrence ৰ যিখিনি কথা কৈছে সেইটো হয়, কিন্তু যিটো Recent Occurrence সেইটো Continous. ১৯৯১চনত মনমোহন সিং ডাঙৰীয়া বিত্ত মন্ত্ৰী থকাৰ সময়তে আমাৰ ভাৰতীয় অৰ্থনীতিয়ে গ্লোবেলাইজেশ্যনত ভৰি দিছিল। গতিকে বৰ্তমান সময়ত বিশ্ব অৰ্থনীতিৰ লগত আমি ফেৰ মাৰিব হ'লে কিছু কিছু ক্ষেত্ৰত আমি কিছুমান পদক্ষেপ লৈ আগবাঢ়ি যাব লাগিব। আমাৰ অৰ্থনীতিত এনেকুৱা ধৰণৰ Instances আছে য'ত আমি এটা সময়ত আমাৰ যিটো Gold Reserve আছিল সেইটো বন্ধকত থৈছিলো। সেয়েহে Adjournment Motion ৰ কোনো যুক্তি নাই।

**মাননীয় অধ্যক্ষ ঃ** I have patiently heard the points submitted for and against the Adjournment Motion by Hon'ble members Smti Ajanta Neog, Hafiz Basir Ahmed, Debabrota Saikia,Leader of the opposition and Parliamentary Affairs Minister C M Patowary. To day I

reseve my Ruling and after scrutiny of all the points submitted today. I will give my ruling tomorrow.

(অধ্যক্ষ ডাঙৰীয়াই ৰুলিঙত অসন্তুষ্ট হয় আৰু বিৰোধী দলৰ সকলো সদস্যই অধ্যক্ষৰ ওচৰত প্লে কাৰ্ড লৈ প্ৰতিবাদ সাব্যস্ত কৰি সভা স্থগিত প্ৰস্তাৱৰ ওপৰত ৰুলিং দিবলৈ দাবী জনায়)।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া জিৰো আৱাৰ।

(সদনত পুনৰ হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়)।

**সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হোৱাৰ বাবে অধ্যক্ষ মহোদয়ে দিনৰ ১২ বজালৈ সদন স্থগিত ৰাখে।**

**এইখনি সময়ত মাননীয় অধ্যক্ষ ডাঙৰীয়াই বিৰোধী দলৰ দলপতিৰ লগত আলোচনা কৰি থাকে।**

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া শূণ্যকালীন ঘণ্টা। সত্যব্ৰত কলিতা

**শ্ৰী ৰকিবুল হুছেইন ঃ-** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰস্তাৱৰ উত্তৰ কিবা এটা দিব লাগিব।

**মাননীয় অধ্যক্ষ ঃ-** মই কাইলৈ ৰুলিং দিম। You cannot force me.

(মূল্যবৃদ্ধি ৰোধৰ প্ৰতিবাদত কংগ্ৰেছৰ বিধায়ক সকলে অধ্যক্ষৰ ওচৰত গৈ বিভিন্ন প্লেকাৰ্ড লৈ ধৰ্ণা প্ৰদৰ্শন কৰি শ্লোগান দিয়ে)। ইয়াৰ ফলত সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়।

**মাননীয় অধ্যক্ষ ঃ-** Go to your seat আপোনালোকে নিজৰ নিজৰ আসনলৈ যাওঁক। মই আপোনালোকক আসনলৈ যাবলৈ অনুৰোধ কৰিছো। এতিয়া সত্যব্ৰত কলিতা।

**শ্ৰী সত্যব্ৰত কলিতা ঃ-** মাননীয় অধ্যক্ষ মহোদয়, যিটো বিষয় মই আপোনাৰ দৃষ্টিগোচৰ কৰিছিলো, সেই বিষয়টোৰ ওপৰত ইতিমধ্যে সন্মানীয় বিধান সভাই সিদ্ধান্ত গ্ৰহণ কৰিলে। হিমা দাস, ৰিমা দাস আৰু আদিল হুছেইনক ইতিমধ্যে অভিনন্দন জনোৱা হৈছে।

(সদনত হুলস্থুলীয়া পৰিৱেশ)

ক্ৰীড়া আৰু সংস্কৃতিক জগতত বৰ্তমানৰ চৰকাৰখনে অসমত যি পদক্ষেপ গ্ৰহণ কৰিছে, আমি আশা কৰো হিমা দাসক বাহিৰলৈ প্ৰশিক্ষণৰ বাবে পঠোৱাৰ ক্ষেত্ৰত চৰকাৰে বিশেষ ভূমিকা গ্ৰহণ কৰিলে ভাল হব।

(ধৰ্ণা কাৰ্য্যসূচী চলি থাকে)

**মাননীয় অধ্যক্ষ ঃ-** please short আপুনি কৈ যাওঁক।

**শ্ৰী সত্যব্ৰত কলিতা ঃ-** হিমা দাসক বাহিৰলৈ প্ৰশিক্ষণৰ বাবে পঠোৱা খৰচৰ ক্ষেত্ৰত চৰকাৰে বিশেষ ভূমিকা লবলৈ অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ-** আমিনুল ইছলাম, তেখেত absent।

( সদনত হুলস্থুলীয়া পৰিৱেশ )

**মাননীয় অধ্যক্ষ ঃ-** please sitdown. এতিয়া পবিন্দ্ৰ ডেকা। be short.

**শ্ৰী পবিন্দ্ৰ ডেকা ঃ-** মাননীয় অধ্যক্ষ মহোদয়, -----

( বিৰোধী পক্ষই সদনত বেছিকৈ হুলস্থুলীয়া পৰিৱেশ সৃষ্টি কৰা কাৰণে সদনত চলি থকা আলোচনা স্পষ্টকৈ শুনা নাযায়)।

**মাননীয় অধ্যক্ষ ঃ-** ইয়াৰ পাছত মামুন ইমদাদুল হক চৌধুৰী, অজন্তা নেওগ, ৰমেন্দ্ৰ নাৰায়ন কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা ঃ-** মাননীয় অধ্যক্ষ মহোদয়,-----

( বিৰোধী পক্ষই সদনত বেছিকৈ হুলস্থুলীয়া পৰিৱেশ সৃষ্টি কৰা কাৰণে সদনত চলি থকা আলোচনা স্পষ্টকৈ শুনা নাযায়)।

**মাননীয় অধ্যক্ষ ঃ-** মন্ত্ৰী ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** (সদনত হুলস্থুলীয়া পৰিৱেশ)

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ-** (সদনত হুলস্থুলীয়া পৰিৱেশৰ বাবে একো শুনা নাযায়)।

**মাননীয় অধ্যক্ষ ঃ-** Soil conservation Minister

**শ্ৰীমতী প্ৰমীলাৰাণী ব্ৰহ্ম, মন্ত্ৰী ঃ-** (সদনত হুলস্থুলীয়া পৰিৱেশৰ বাবে একো শুনা নাযায়)।

**মাননীয় অধ্যক্ষ ঃ-** অতুল বৰা।

**শ্ৰী অতুল বৰা ঃ-** (সদনত হুলস্থুলীয়া পৰিৱেশৰ বাবে একো শুনা নাযায়)।

**মাননীয় অধ্যক্ষ ঃ-** ইমানুৱেল মুছাহাৰী

**শ্ৰী ইমানুৱেল মুছাহাৰী ঃ-** (সদনত হুলস্থুলীয়া পৰিৱেশৰ বাবে একো শুনা নাযায়)।

**মাননীয় অধ্যক্ষ ঃ-** মন্ত্ৰী।

**শ্ৰী পল্লৱ লোচন দাস, মন্ত্ৰী ঃ-** (সদনত হুলস্থুলীয়া পৰিৱেশৰ বাবে একো শুনা নাযায় আৰু হুলস্থুলীয়া পৰিৱেশৰ মাজতে ক্ৰম অনুসৰি সদনৰ কাম-কাজ চলি থাকে)।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** Hon'ble Speaker Sir, I beg to move "This Assembly do elect thirteen Members of the Assembly in accordance with the provision of Rule 244(1) of the Rule of Procedure and Conduct of Business in Assam Legislative Assembly to constitute the Committee on Estimates which will function from the date of its formation for a term not exceeding thirty months with effect from 3rd December, 2018." (The Principal Secretary, will notify the date, time and place for holding the election, if necessary).

**মাননীয় অধ্যক্ষ ঃ** Item No. 19. Hon'ble Speaker Sir, I beg to move "This Assembly do elect thirteen Members of the Assembly in accordance with the provision of Rule 260B(1) of the Rule of Procedure and Conduct of Business in Assam Legislative Assembly to constitute the Committee on Public Undertakings to function from the date of its formation for the remaining period of Fourteenth Assembly which is not exceeding thirty months w.e.f. 3rd December, 2018."(The Principal Secretary, will notify the date, time and place for holding the election, if necessary).

**মাননীয় অধ্যক্ষ ঃ** Item No. 20.

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** Hon'ble Speaker Sir, I beg to move, In pursuance of Rule 260D(1) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, this House do elect thirteen members of the Asembly accordance with the principal of proportional represenation by means of the single transferable vote

to constitute the Comitteeon the Erlfare of Scheduled Castes and Scheduled Tribes, which will function not exceeding thirty months with effect from 3rd December, 2018.

**মাননীয় অধ্যক্ষ ঃ** Item No. 21.

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** Hon'ble Speaker Sir, I beg to move, "This Assembly in accordance with the provision of Rule 260G(1) of the Rules of Procedure and Conduct of Business in Assam Legislative to constitute the Committee on the Welfare of OBC & MOBC which will function from the date of its formation for a term not exceeding thirty months with effect from 3rd December, 2018."

**মাননীয় অধ্যক্ষ ঃ** Item No. 22.

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া ২০১৮-২০১৯ চনৰ পৰিপূৰক দাবী মঞ্জুৰী আৰু পৰিপূৰক বিনিয়োজনৰ তালিকা সদনত উত্থাপন কৰিলো। মাননী অধ্যক্ষ মহোদয় ,"The Assam Electricity Duty (Amendment) Bill, 2018". বিধেয়ক খন সদনত উত্থাপন কৰিবৰ বাবে অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়ক খন অনুমতি দিয়াত সদনৰ সন্মতি আছেনে? অনুমতি দিয়া হৈছে। ৰাজভৱনৰ পৰা বিধেয়ক খন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপাল মহোদয়ে ২০১৮ চনৰ ১২ চেপ্তেম্বৰ, তাৰিখত এটা বাণী পঠিয়াইছে। Under the provision of Article 207 (1) of the Constitution of india, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of THE ASSAM ELECTRICITY DUTY (AMENDMENT) BILL, 2018 in the Assam Legislative Assembly.

**ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Electricity Duty (Amendment) Bill, 2018".বিধেয়ক খন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰধান সচিব ।

**প্ৰধান সচিব ঃ** "The Assam Electricity Duty (Amendment) Bill, 2018".

**মাননীয় অধ্যক্ষ ঃ** Item No. 24.

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Tea Plantation Employees' Welfare Fund (Amendment) Bill, 2018" বিধেয়কখন সদনত উত্থাপন কৰিবলৈ মই অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় অসমৰ ৰাজ্যপাল মহোদয়ে এটা বাণী পঠিয়াইছে। Under the provision of Article 207 (1) of the Constitution of india, I, Prof. Jagdish Mukhi, Governor of Assam, recommend the introduction of "The Assam Tea Plantation Employees' Welfare Fund (Amendment) Bill, 2018" in the Assam Legislative Assembly.

**শ্ৰী পল্লৱলোচন দাস, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Tea Plantation Employees' Welfare Fund (Amendment) Bill, 2018" বিধেয়কখন মই সদনত

উত্থাপন কৰিলা।

**মাননীয় অধ্যক্ষ ঃ** প্ৰধান সচিব । মই নিৰপেক্ষ। নহলে কবলৈকে নিদিলোহেঁতেন।

**প্ৰধান সচিব ঃ** "The Assam Tea Plantation Employees' Welfare Fund (Amendment) Bill, 2018".

**মাননীয় অধ্যক্ষ ঃ** The House adjourned till 9.30 A.M. tommorrow.